চান্দমামা

ডিছেমবাৰ ১৯৯৪



everest/94/PP/139-as



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

BAND-AID®

Funtest

প্ৰতিটো বেণ্ড-এড ফানটেষ্ট
পেকৰ সতে দুটা
ফানষ্টিক্‌চ* বিনামূল্যে

খৰখৰ কৰা!

এতিয়াৰ পৰাই তোমাৰ ফানষ্টিক্‌চ* গোটাবলৈ আৰম্ভ কৰা!

* *সুগন্ধিযুক্ত প্লাষ্টিক ক্ৰেয়ন*

নিয়ম ও বিধিসমূহ

১. এই প্ৰতিযোগিতাত ৪ ৰ পৰা ১৫ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে যোগ দিব পাৰিব। কেৱল ভাৰতীয় নাগৰিকত্ব থকাসকলহে যোগ্য হব।
২. 'জনছন এণ্ড জনছন' আৰু 'অগিলভি এণ্ড মাথেৰ'-ৰ কৰ্মচাৰী আৰু তেওঁলোকৰ আত্মীয়সকলৰ যোগদান বিনীতভাৱে প্ৰত্যাখ্যান কৰা হৈছে।
৩. এজন প্ৰতিযোগীয়ে যি কোনো সংখ্যক প্ৰবেশপত্ৰ পঠিয়াব পাৰে।
৪. প্ৰত্যেকখন প্ৰবেশপত্ৰই সম্পূৰ্ণকৈ পূৰোৱা হব লাগিব। অসম্পূৰ্ণ বা অস্পষ্ট প্ৰবেশপত্ৰ অবৈধ বিবেচিত হব।
৫. প্ৰবেশপত্ৰ গ্ৰহণৰ শেষ তাৰিখ ২৮ ফেব্ৰুৱাৰী, ১৯৯৫। অৱশ্যে, কোম্পানীয়ে বন্ধ কৰাৰ তাৰিখ পিছুৱাই বা আগুৱাই দিয়াৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

বেণ্ড-এড®

ফানটেষ্টত যোগদান কৰা

জনছন এণ্ড জনছন

তুমি কৰিবলগীয়া কাম হ'ল কেৱল এটা পটীত বং দিব লাগে আৰু একেবাৰে সহজ প্ৰশ্ন কেইটামানৰ উত্তৰ দিব লাগে। বচ, তাৰপিচতে তুমি জিকিব পৰাকৈ ইয়াত আছে এখিনিমান আকৰ্ষণীয় পুৰস্কাৰ।

তাৰোপৰি ১০০০ টা পুৰস্কাৰ সৰ্বপ্ৰথমে পঠিওৱাসকলৰ বাবে (গতিকে তোমাৰ প্ৰবেশপত্ৰ আজিয়েই পঠিওৱা!)

ইয়াক এটা ফানষ্ট্ৰিপ বনোৱা!

এই বেণ্ড-এডটোক এটা ফানষ্ট্ৰিপত পৰিণত কৰিবলৈ আশ্ৰয় লোৱা কল্পনাৰ। ইয়াক দেখাত এটা আচল ফানষ্ট্ৰিপৰ দৰে সুন্দৰ কৰি তুলিবলৈ তুমি ইয়াত বং দিব পাৰা, আঁকিব পাৰা বা লিখিবও পাৰা।

সঠিক উত্তৰটোত টিক (✓) মাৰা

১. বেণ্ড-এড পটী এটাৰ চাইজ কিমান?
☐ ১৯ মিমি X ৭২ মিমি ☐ ১৭ মিমি X ৭০ মিমি ☐ ২১ মিমি X ৭৪ মিমি

২. কেৱল জনছন এণ্ড জনছনৰ বেণ্ড-এড পটীহে সম্পূৰ্ণৰূপে ষ্টেৰিলাইজড্ কৰা।
☐ সঁচা ☐ মিছা

৩. বেণ্ড-এড ফানটেষ্ট পেকত কিমানটা বেণ্ড-এড পটী (সকলো ধৰণৰ) আছে?
☐ ২০ ☐ ১৫ ☐ ৩০

৪. বেণ্ড-এড পেডত থকা সুফলদায়ক ঔষধখিনিক কি নামে জনা যায়?
☐ ববিক পাউডাৰ ☐ বেঞ্জলকনিয়াম ক্ল'ৰাইড ☐ টিংকশ্যাৰ আয়ডিন

৫. ভাৰতত, বেণ্ড-এড পটীত কিমানটা ৱাল্ট ডিচনী চৰিত্ৰই এতিয়ালৈকে ভুমুকি মাৰিছে?
☐ ৪ ☐ ৬ ☐ ২

নাম: ____________________

জন্মৰ তাৰিখ: ____________________ ল'ৰা/ছোৱালী: __________

ঠিকনা: ____________________

স্কুল: ____________________

৬. কোনো প্ৰবেশপত্ৰ ঘূৰাই দিয়া নহব।
৭. বিজয়ীসকলক ডাকযোগে জনোৱা হব।
৮. বিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত আৰু ধৰাবন্ধা হব।
৯. জনছন এণ্ড জনছন-এ কোনো কাৰণ উল্লেখ নকৰাকৈয়ে/কৰি আঁচনিখন পৰিবৰ্তন কৰাৰ, স্থগিত ৰখাৰ অথবা উঠাই লোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।
১০. সকলো প্ৰবেশ-পত্ৰ সাধাৰণ ডাকযোগে এই ঠিকনালৈ পঠিয়াব লাগিব: দি বেণ্ড-এড ফানটেষ্ট, মাৰফৎ- ডাটাবেঙ্কিচ, পো. অ. বক্স ১৬৬০৫, বম্বে-৪০০০১৯।

Ogilvy & Mather 5179 ASM

YEL BLACK

চান্দমামা

*

ডিছেম্বাৰ ১৯৯৪

এই * আছে

সংখ্যাত

*

শিশু-শ্ৰম	:	৭	ভূষণধাৰী	:	৩৭
পৰিবৰ্তনত শ্ৰীলংকা	:	৯	খণ্ডৰ ৰং ৰঙা	:	৪২
জাবৰ-জোথৰ	:	১১	মহাভাৰত	:	৪৫
অতুল-সুন্দৰী	:	১৭	দাতা-কঢ়া-বিধাতা	:	৫৩
জালখন	:	২৪	চান্দমামাৰ চমক	:	৫৭
ভকতিৰ শকতি	:	২৫	নাৰীশক্তি	:	৫৮
পুণ্যৱান	:	৩২	প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩	ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ		৬৫

*

চান্দমামা : খনে : ৫'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

শিশু-শ্ৰম

দীপাৱলী আহিল আৰু গ'ল। প্ৰাকৃতিক বিপৰ্যয়, মাউৰ আদিৰ মাজতো মানুহে উছৱ-পৰৱ নাপাহৰে, পালন কৰে, খাৰবাজিৰে জুই-খেল কৰে, উছৱৰ ঐতিহ্য অটুট ৰাখে।

কিন্তু এই জুই-খেলুৱৈসকলৰ মাজত কিমানে জানে যে এই বিপুল পৰিমাণৰ খাৰবাজী প্ৰস্তুতকাৰীইতৰ শতকৰা পঞ্চাছভাগতকৈয়ো অধিক—শিশু-শ্ৰমিক? এই শিশু-শ্ৰমিকইতৰ বয়স পাঁচ-ছয়ৰপৰা তেৰ-চৈধ্যলৈকে! তামিলনাডুৰ জগতবিখ্যাত খাৰবাজি-উৎপাদন-কেন্দ্ৰ শিৱকাশীৰো যে এই একেই অৱস্থা—সেয়া হ'ল নিৰ্মম সত্য।

কেৱল খাৰবাজি-উৎপাদনতে নহয়, দলিচা-উৎপাদনত, চামৰাৰ সামগ্ৰী, জুইশলা, বিড়ি—আৰু অন্যান্য বহুবিধ বিপদজনক উৎপাদন-প্ৰক্ৰিয়াতো অসংখ্য শিশু-শ্ৰমিক নিয়োজিত।

এই বিষয়ে—কি শিশুইতক কি সিহঁতৰ পিতৃ-মাতৃকো দূষিব নোৱাৰি; কিয়নো—আৰ্থিক উপায়হীনতায়েই হ'ল এনে ভয়াবহ শিশু-শ্ৰম নিযুক্তিৰ ঘাই কাৰণ। আৰ্থিক অসাম্য মুছুচেমানে–বা আৰ্থিক সম-বণ্টনৰ বন্দবস্ত নকৰালৈকে এনেবোৰ অমানবীয়-অসামাজিক শিশু-শ্ৰমৰ অৱসান অসম্ভৱ। শিশু-শ্ৰমৰ অৱসান যদিও এই লিখাৰ দৰে সহজ নহয়—বৰ কঠিনেই। তথাপি, আৰম্ভ তো ক'ৰবাৰপৰা কৰিব লাগিব। যদিও এই দায়িত্ব প্ৰধানকৈ চৰকাৰৰ, তথাপি — ৰাজনৈতিক দলসমূহেও তেওঁলোকৰ দায়িত্ব এৰাব নোৱাৰে, আমিও দায়িত্ব এৰাব নোৱাৰোঁ। কিন্তু কথা হ'ল—

মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিব কোনে?

বছৰ : ১৯   ডিছেমবাৰ ১৯৯৪   সংখ্যা : ৯

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা

I shared my homework. And some maths.
Did some patterns. Shared my Mortons.
MORTON
SWEETS
We enjoy our School days....and Lunch Breaks more so with Mortons which we share. It has been our Family's favourite for years and years.
Delicious and yummy in so many flavours. All with the goodness of Creamy Milk, Glucose and Sugar.
Chocolate and Coconut Cookies, Rose Eclairs, Supreme Chocolate and Coconut Toffees, Lacto Bonbons, Mango King and so many other delicious treats.
Um m m m m. Every bite a yummy delight.
A lifetime of real goodness
MORTON CONFECTIONERY &
MILK PRODUCTS FACTORY
P.O. : Marhowrah 841 418. Dist. : Saran, Bihar
CCM-2/93
Caution Notice: MORTON and its wrappers are registered trade mark of Upper Ganges Sugar & Industries Ltd.
Any infringement of trade mark rights is liable to prosecution.

পৃথিৱীৰ খিৰিকীৰে

পৰিবৰ্তনৰ দুৱাৰ-গঁড়িলাত শ্ৰীলংকা

শ্ৰীলংকাৰ বৰ্তমান প্ৰধানমন্ত্ৰী চন্দ্ৰিকা কুমাৰতুংগা। এওঁ হ'ল ভুতপূৰ্ব তথা বিশ্বৰ প্ৰথম প্ৰধানমন্ত্ৰী শ্ৰীমতী বণ্ডাৰনায়িকেৰ পুত্ৰী। ১৯ ৯ চনত তৎকালীন প্ৰধানমন্ত্ৰী এছ. ড'ব্লু. আৰ. ডি. বণ্ডাৰনায়িকেক যেতিয়া হত্যা কৰা হৈছিল, তেতিয়া শ্ৰীমতী চিৰিমাভো বণ্ডাৰনায়িকেক ১৯৬০ চনত প্ৰধানমন্ত্ৰী পতা হৈছিল। এৰেঁই আছিল পৃথিৱীৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী। এওঁ ১৯৬০—১৯৬৫ আৰু ১৯৭০—১৯৭৭লৈকে এই পদত আছিল। ১৯৭২-ৰ নিৰ্বাচনত এখেতৰ পাৰ্টি — শ্ৰীলংকা ফ্ৰিডাম পাৰ্টি—য়ুনাইটেড ন্যাশ্বানাল পাৰ্টিৰ ওচৰত পৰাজিত হ'ল। এই পাৰ্টিৰ নেতা আছিল জে. আৰ. জয়বৰ্ধনে।

য়ুনাইটেড ন্যাশ্বানাল পাৰ্টিয়ে একাদিক্ৰমে ১৭ বছৰকাল দেশ-শাসন কৰিলে। কিন্তু তাৰ পাছত—যোৱা ১৬ অগষ্টৰ নিৰ্বাচনত পৰাস্ত হ'ল পিপ্‌লছ্ অ্যাল্লাইয়েন্স পাটিৰ হাতত। ইপিনে—মন্ত্ৰিসভা গঠনৰ বাবে য়ুনাইটেড ন্যাশ্বানালক আৰু ১০খন আসন লাগে। কিছুমান সৰু সৰু পাৰ্টিয়ে তেওঁলোকৰ সমৰ্থন আগ বঢ়ালে আৰু তাৰেই ভিত্তিত শ্ৰীমতী চন্দ্ৰিকা কুমাৰতুংগাই মন্ত্ৰিসভা গঠন কৰিলে তেওঁৰ নেতৃত্বত —যোৱা ১৯ অগষ্টত, ২১ গৰাকী মন্ত্ৰীৰ সহযোগত। এই মন্ত্ৰীসকলৰ মাজত এগৰাকী হ'ল স্বয়ং তেওঁৰ মাক শ্ৰীমতী চিৰিমাভো বণ্ডাৰনায়িকে।

ভাৰতৰ দক্ষিণসীমাত জলবিন্দুৰ দৰে যিখন দেশ পৰিলক্ষিত হয়, সেইখনেই হ'ল ৰামায়ণত উল্লিখিত দ্বীপদেশ শ্ৰীলংকা। এইখন শ্ৰীলংকালৈ সম্ৰাট অশোক বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে তেওঁৰ পুত্ৰীক প্ৰেৰণ কৰিছিল। অনুৰাধাপুৰত বুদ্ধৰ এটি দন্ত বিগত দুহেজাৰ বছৰলৈ সুৰক্ষিত আছে।

শ্ৰীলংকাৰ ইতিহাস পৰিৱৰ্তনশীলতাৰ ইতিহাস। যোড়শ শতিকাত শ্ৰীলংকা

অধিকাৰ কৰিছিল পৰ্টুগিজহঁতে। সপ্তদশ শতিকাক শ্ৰীলংকা ডাচহঁতৰ অধীনস্থ হৈছিল। ১৯৪৮ চনত বৃটিছ কমনওৱেলথৰ অন্যতম স্বাধীন দেশ হ'ল শ্ৰীলংকা। ১৯৭৭ চনত শ্ৰীলংকা সমাজবাদী গণতান্ত্ৰিক দেশৰূপে ঘোষিত হ'ল আৰু 'ছিলোন' নাম পৰিৱৰ্তন কৰি নিজস্ব 'শ্ৰীলংকা' নাম পুনঃপ্ৰতিষ্ঠিত হ'ল।

১৯৭৭ সাধাৰণ নিৰ্বাচনত যি সংবিধানত ৰচিত হৈছিল, সেই সংবিধান মতে শ্ৰীজয়বৰ্ধনে হ'ল শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি।

১৯৮৯ চনত য়ুনাইটেড ন্যাশ্বনাল পাৰ্টিয়ে অধিকসংখ্যক আসন লভি ক্ষমতা হস্তগত কৰিলে, যদিও আসনাধিক্য লাভত তেওঁলোক ব্যৰ্থ হ'ল। তেতিয়ালৈকো প্ৰধানমন্ত্ৰী আছিল শ্ৰীপ্ৰেমদাসা, যিগৰাকী পাছত ৰাষ্ট্ৰপতি হৈছিল। ১৯৯৩ চনত অনুষ্ঠিত মে' দিবসৰ উৎসৱকালত তেওঁক হত্যা কৰা হৈছিল।

তাৰ ফলত তৎকালীন প্ৰধানমন্ত্ৰী শ্ৰীবিজয়তুংগে ৰাষ্ট্ৰপতি হ'ল। ১৯৯৫ চনৰ জানুৱাৰি মাহত শ্ৰীবিজয়তুংগেৰ কাৰ্যকাল পূৰ্ণ হ'ব আৰু শ্ৰীলংকাৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰপতি-নিৰ্বাচন অনুষ্ঠিত হ'ব নৱেম্বৰ মাহত।

শ্ৰীলংকাত বৌদ্ধধৰ্মীসকলৰ সংখ্যাধিক্য, মুঠ জনসংখ্যাৰ এক-পঞ্চমাংশ হ'ল তামিলভাষী। দুয়ো সম্প্ৰদায়ৰ মাজত ১৯৫৬-ৰপৰা হিংসাশ্ৰয়ী সংঘৰ্ষ চলি আছিল। ১৯৮৬ চনত এই সংঘৰ্ষই ভয়ংকৰ ৰূপ লৈছিল। কমেও ২০,০০০ মানুহৰ মৃত্যু হ'ল এই সংঘৰ্ষৰ ফলত।



শ্ৰীলংকাৰ বৰ্তমান প্ৰধানমন্ত্ৰী শ্ৰীমতী চন্দ্ৰিকা বণ্ডাৰনায়িকেৰ শিক্ষা ফ্ৰান্সত। ৰাজনীতিত আকৃষ্ট ছিনেমা-অভিনেতা ৰিজেকুমাৰতুংগাৰ সৈতে চন্দ্ৰিকা বিবাহ-বন্ধনত আৱদ্ধ হৈছিল। অভিনেতা ৰিজেকুমাৰতুংগাই শ্ৰীলংকাৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ ওৰ পেলোৱাৰ চেষ্টাৰ কালত ১৯৮৯ চনত এক অতি বেদনাময় পৰিস্থিতিত নিহত হ'ল। ১৯৯০ চনত শ্ৰীমতী চন্দ্ৰিকা কুমাৰতুংগাই শ্ৰীলংকা ফ্ৰিডাম পাৰ্টিত যোগদান কৰিছিল আৰু তেতিয়াই তেওঁৰ প্ৰকৃত ৰাজনৈতিক দীক্ষা হৈছিল। যদিও ১৯৯৩ চনত দেশৰ পশ্চিম প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ পদ অলংকৃত কৰাৰ লগে লগে হৈছিল শ্ৰীমতী চন্দ্ৰিকা কুমাৰতুংগাৰ ৰাজনৈতিক জীৱনৰ প্ৰকৃত সূত্ৰপাত।

জাবৰ-জোথৰ

মিতা—মানে মিতালী দেখাতো মিঠা মুখতো মিঠা স্বভাৱতো মৌ-মিঠা। কিন্তু তথাপি তাইৰ সতিয়ৈ মাকে খুচৰি খুচৰি জগৰ ধৰে, নগৰক সাগৰ সাগৰক নগৰ কৰে। মিতাজনীয়ে মুখ, ফালি কিবা ক'লেহে হৈছে, সতিয়ৈ মাকে—সেই যে কথাতে বোলে—কি কথা কোৱা লহৰ-পহৰ— মুকুটি মাৰি দিম ঠহৰ ঠহৰ—তেনেকুৱাই কৰে। গতিকে—নকয় মুখৰ দুৱাৰ নোখোলে, আৰু তাইৰ দুখ জানে চকুৰ পানীৰ টোপালে।

সতিয়ৈ মাক ৰামণী যদিও ৰমণীয়েই, তথাপি ৰমণীৰ গুণ তেওঁৰ মাজত প্ৰায় নায়েই। ৰমণীৰ চকুযুৰিয়ে স্বাৰ্থৰ বাহিৰে দুনীয়াখনত আন একো নেদেখে, আৰু সেইহে সদা-সৰ্বক্ষণেই কৰে কৰ্কথনা গালিৰে তেভূত — ককৰ বকৰ ককবক বকে গোটেই দিনটোকে।

অৱস্থাই বহুগুণে ৰেয়ালৈ ঢাল ল'লে, যেতিয়া মিতা আৰু ৰমণীৰ নিজৰ ছোৱালী গীতাৰো বিয়া পতাৰ কথা ভাবিব-চিন্তিবলগীয়া তথা বন্দবস্ত কৰিব-লগীয়া হ'ল।

এবাৰ গীতাক চাবলৈ আহা দৰা এটিয়ে যেতিয়া গীতাৰ সলনি মিতাক দিলে মিতাক বিয়া কৰাবলৈ সাজু—বুলি ক'লে, তেতিয়া যেনিবা জ্বলা জুইত ঘিউ পৰিল।

দৰা গুচি যোৱাৰ পাছত ৰামণীয়ে মিতাজনীক 'মিঠা পুখুৰীত বিহ দিয়া' 'ধেমনী' 'ভিতৰে গৰল, বাহিৰে সৰল' 'টেঙৰী বাই' আদিৰে আ দ ৰি লে, মিতাজনীয়ে চকুলো বোৱালে, নিজৰ

নীলিমা বৰগোহাঞি



অসহায় জীৱনৰ কথা ভাবি ভাবি হুমুনিয়াহ কাঢ়িলে, কিন্তু তাই আন একোৱেই কৰিব নোৱাৰিলে।

পাছত ৰামণী বাঁৰীয়ে নিজৰ ছোৱালী গীতাক ক'লে, "বোলোঁ—বুইছ নহয় ?—এইজনী ডাকিনীজনী যেতিয়ালৈকে ঘৰত থাকিব, তেতিয়ালৈকে তোৰ কোনো আশা নেদেখিছোঁ। ব্বাৰু, ৰঃ, তয়ো ধামনী, মৰো ৰামণী। আজি ৰাতি তোৰ মুখত তপত তেল ঢালি দিম তেহে হ'ব।"

ৰণচণ্ডী ৰামণীজনীৰ এই খিনি কথা মিতাজনীৰো কাণত পৰিল আৰু তাই ভয় খাই তেতিয়াই ঘৰ এৰি অজান ঠাইলৈ বুলি খোজ ল'লে।

গৈ গৈ—গধূলিৰ আগে আগে তাই এক নিৰল-নিজান ঠাই পালেগৈ। তাত থিয় হৈ চাৰিওফালে চালে তাই, আগ-পিনে-পিছপিনে — সকলোপিনেই হাবি আৰু হাবি। তাই বাধ্যত পৰি হাবিলৈ সোমাল, আৰু এজোপা ডাঙৰ গছৰ তলত বহিল, আৰু চাওঁতে চাওঁতে তাতেই টোপনিৰ জালত পৰিল।

পুৱাৰ পৰতে যেতিয়া তাই সাৰ পালে তেতিয়া তাই তাত জংলী মানুহ এজনক তাইৰ কাষত থিয় হৈ থকা দেখা পালে। জংলী মানুহজনে তাইক ক'লে, "তুমি ক'ৰপৰা কেনেকৈ ইয়ালৈ আহিলা যে—ভাবি তৰধেই মানিছোঁ। তোমাৰ মনত বাঘ-ঘোঙৰ ডৰো নাইনে ?"

জংলীৰ কথাৰ উত্তৰত তাই একোৱেই নক'লে। পুনৰ জংলী মানুহজনেই তাইক ক'লে, "মই তোমাক বিয়া কৰাম, আৰু মোৰ ঘৰলৈ তোমাক লৈ যাম। ব'লা মোল্লগত যাবা, সুখে-দুখে ফলে-মৌৰে কত কি যে খাবা, গছৰ পাতৰ নৰম বিছনাত শুবা।"

ইতিমধ্যে তাত হঠাৎ ক'ৰবাৰপৰা ৰাক্ষস এটা ওলালহি, আৰু ৰাক্ষসটোক দেখা পায়েই জংলী বপুৰাই ফেঁটীৰ মূৰ

ছিঙা লৰ দি তাৰপৰা পলাল, তাৰ বিয়াৰ চখৰ তাতেই আধ্যা পৰিল।

ৰাক্ষসটোৱে মিতাজনীক ক'লে, "মোক ভয় নকৰা, তোমাৰ কোনো অনিষ্ট নহ'ব মোৰদ্বাৰা। তোমাক দেখা-মাত্ৰেই মোৰ মন পৰিল তোমাত, আৰু এই মনৰ শান্তি হ'ব তোমাক পোৱাত। মই তোমাক সুখত ৰাখিম, যি লাগে তাকে দিম। জল্‌দি জল্‌দি কোৱা—কোৱা যদি ৰাজী, হৈ য'ক আজি।"

মিতাজনীয়ে নিডৰে-নিৰভয়ে ৰাক্ষসটোক ক'লে, "তোমাৰ আগত মইনো কি? তুমি হ'লা এটা পৰ্বত, মই তোমাৰ আগত মাখিৰো মাখি, মানুহে হাঁহিবহে আমাক দেখি।"

"মই কামৰূপী মন্ত্ৰ-তন্ত্ৰ জানো। তোমাৰ কাৰণে মই মোৰ এই ৰাক্ষস ৰূপ গুচাব পাৰোঁ।" এই বুলি কোৱাৰ লগে লগেই সেই বিকটাকাৰ ৰাক্ষসটো এজন দেখনিয়াৰ যুৱকলৈ ৰূপান্তৰিত হ'ল।

কিন্তু মিতাজনীৰ অস্বস্তি নুগুচিল। হওক দেখনিয়াৰ যুৱা, তথাপি তো ৰাক্ষস। তাই ৰাক্ষসটোক ক'লে, "কিন্তু মোৰ মা'ৰপৰা অনুমতি ল'ব লাগিব মোক বিয়া কৰাবলৈ হ'লে।"

ৰাক্ষসটোৱে মিতাৰ কথা মানি ল'লে আৰু মিতাক এটি পুতলাৰ দৰে হাতৰ তলুৱাৰ ওপৰত বহুৱাই লৈ নিমিষতে





বিয়া কৰাম, তুমি 'নহয়' বুলি নক'বা। তোমাক যি লাগে তাকে পাবা।"

ইমান ধুনীয়াৰো ধুনীয়া —হয়নে ৰাক্ষসো? ভাবিলে ৰামণীয়ে — মিছাৰ ভঁৰাল মিতাই মিছাকৈ তাক ৰাক্ষস বুলি কৈছে। ৰামণীয়ে যুৱাক ক'লে, "তোমাক কথা এটা কওঁ, তুমি মোৰ ছোৱালীজনীক —গীতাক বিয়া কৰোৱা যদি—মোৰ কুনু আপত্য নাই।"

ৰাক্ষসটোৱে ক'লে, "শুনা, আমি আমাৰ মুখৰ কথাৰ লৰচৰ কৰাত নাই। প্ৰাণ যাওক, বচন থাকক। তাইক বিয়া কৰাম বুলি কৈছোঁ—কৰামেই।"

সিহঁতৰ ঘৰ পালেগৈ।

মিতাই ৰামণীক একাষৰীয়াকৈ মাতি নিলে আৰু শুন-মুশুনকৈ ক'লে, "মা, সেই যুৱা দেখাত মানুহ যেন লাগিলেও আচলতে ৰাক্ষস। মোক বিয়া কৰাবলৈ বিচাৰি মোৰ পিছ লৈছে। মোক তুমি তাৰ কবলৰপৰা ৰক্ষা কৰ:।"

ৰামণীয়ে মিতাক কেটেৰ-জেঙেৰকৈ সুধিলে, "আগতে ক'—ৰাতিৰপৰতে ঘৰ এৰি ক'ত আছিলিগৈ তই?"

ইতিমধ্যে যুৱাৰূপী ৰাক্ষসটো ঘৰৰ ভিতৰলৈ সোমাই আহিল আৰু ৰামণীক ক'লে, "মই তোমাৰ এই ছোৱালীজনীক

"সকলো তোমাৰ ইচ্ছামতে নহ'ব নহ'য়—?" ৰামণীয়ে ক'লে ৰাক্ষসটোক, "মই তোমাক তিনিটা কাম কৰিবলৈ ক'ম, পাৰা যদি—তুমি যি ক'বা সেয়ে হ'ব, নোৱাৰা যদি—তাইৰ আশা এৰি গুচি যাব লাগিব।"

"ঠিক আছে, তোমাৰ পাতলিত পৰিছোঁ যেতিয়া—যি ক'বা সেই। পিছে এটা কথা, ঘৰৰ জাবৰ-জোথৰ পেলাবলৈ নক'বা মোক। তেতিয়া কিন্তু তোমাৰহে অনিষ্ট হ'ব।" যুৱকে ক'লে।

ৰামণীয়ে আওপুৰণি পানী ৰখা বিৰাট পাত্ৰ এটালৈ আঙুলিয়াই তাক ক'লে,

“এই পাত্রটোত পূৰাপূৰিকৈ পানী ভৰাই লৈ আহিব লাগিব। এইটো হ’ল পথম কাম, বাকী দুটা পাছত ক’ম।”

যুৱাৰূপী ৰাক্ষসটোৱে হেলাৰঙে সেই বিৰাট পাত্রটো লৈ গ’ল আৰু পাত্রটোৰে সৈতে নাদৰ ভিতৰত নামি পূৰাপূৰিকৈ পানী ভৰাই ওপৰলৈ দাঙি লৈ আহিল।

কথা চাই কাণ্ড দেখি ৰামণীয়ে ঠাৱৰ কৰিব নোৱাৰিলে যে ই কিক লিকতীয়া ফাঁকি। ৰামণীৰ মুখত ৰাও নাই, আৰু তাইৰ গা-মন বাঁই জাঁই।

বহু কষ্টেৰে ৰামণীয়ে নিজক চম্ভালি ল’লে আৰু যুৱাৰূপী ৰাক্ষসটোক ক’লে, “মানি ল’লো—যে তুমি অতি শক্তিমন্ত; কিন্তু কেৱল শক্তিমন্ত হ’লেই তো নহ’ব, বুদ্ধিমন্তও হ’ব লাগিব। আমাৰ ঘৰৰ সকলো বয়-বস্তু ইফালে—সিফালে দ’ম খাই পৰি আছে। বুদ্ধিৰে চিজিল লগাই থৈ দিয়াচোন চাওঁ—?”

ঘৰটো চাফ-চিকুণ কৰি বয়-বস্তুবোৰ সজাই পৰাই আটোমটোকাৰীকৈ থওঁতে যুৱকৰ বৰ বেছি সময় নালাগিল।

ৰামণীয়ে যদিও মুখেৰে সিমান একো নক’লে, তথাপি মনত নাভাবি নোৱাৰিলে যে—কেৱল দেখনে-দৰেপণেই নহয়, ই কৰাতৰ কাজীও হয়।

তথাপি ৰামণীয়ে ক’লে, “সজালা-পৰালা চব কৰিলা, কিন্তু কামৰ কামটোহে দেখোন নকৰিলা।”

যুৱকে ঘূৰি চালে বেৱ মৰা ৰামণীলৈ।

ৰামণীয়ে ক’লে, “বয়-বস্তুবোৰ—যি হওক-যেনেকে হওক চিজিল লগাই থ’লা। বুজিলোঁ। জাবৰ-জোথৰখিনি নেপেলালা যে—? চাফা কৰোঁতাই পূৰা চাফা কৰিব লাগে। কোৱা, নালাগেনে?”

“ওঁ, লাগে।”

ক্ষন্তেকমান ৰ’ল সি। আৰু তাৰ পাছত এক বিচিত্র হাঁহি মাৰি যুৱকে ক’লে, “আৰু কৰিমও, ময়েই পূৰাপূৰিকৈ

চাকৰি কৰিম, জাবৰ-জোথৰ য'ত যি আছে—দলিয়াই পেলাম।"

"ওঁ তো, ঘৰৰ জাবৰ-জোথৰ নেপেলালে ঘৰখন চাফা হ'বইবা কেনেকৈ? এই দ্বিতীয় কামটো—যদি সুকলমে কৰিব পাৰা, তুমি যি খুজিবা তাকে পাবা, যিজনীক মন যায় ল'বা।" ৰামণীয়ে ক'লে, "শুনা, ৰাৱতেহে চিনি পায় শিয়াল পথৰা—কাজতেহে চিনি পায় আচল দৰা।"

যুৱকে হে হেকৈ হাঁহি মাৰি ক'লে, "শুনা, কথা এটি ক'ৱেঁই, উঠক তোমাৰ খণ্ডেই। কথা হ'ল—এইখন ঘৰৰ আচ্‌চল জাবৰ-জোথৰ হ'ল—তুমি আৰু তোমাৰ ছোৱালী। গতিকে—"বুলি কৈয়েই যুৱকে ৰামণীক আৰু লগতে গীতাকো হাতেৰে খামুচি ধৰিলে আৰু দুজনীক একেলগে শূন্যলৈ দাঙি ঘৰৰ বাহিৰলৈ দলিয়াই পেলালে। তাৰ পাছত মিতাক ক'লে, "জাবৰ-জোথৰ পেলালোঁ, মোৰ কাম মই কৰিলোঁ। এইবাৰ কিন্তু তোমাৰ পাল, তোমাৰ কাম তুমি কৰা।"

মিতাই মূৰ দোঁৱাই নিমাতে কৈ দিলে, তাইৰ কাম কি—তাই বুজি পাইছে। সতিয়ৈ মাকে মানুহৰ জনম লৈয়ো মুখত তপত তেল ঢালি ঈৰ্ষাৰ জুইৰে তাইক পুৰিবলৈ আঁচনি পাঙিছিল, আৰু এই যুৱক ৰাক্ষস হোৱা সত্বেও তাইৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল। এওঁ যে ৰাক্ষসৰ ৰূপত প্ৰকৃত মানৱতাসম্পন্ন—সেই কথাত তাইৰ মনত কোনো সন্দেহ নাছিল। আৰু — সংসাৰৰ চুলুং-বুধীয়াবোৰ যে প্ৰকৃত জাবৰ-জোথৰ সেই কথাও তাই মনে-চিতে মানি লৈছিল।

তাই মানুহৰ ৰূপত থকা ৰাক্ষসৰ সলনি দেখাত ৰাক্ষসৰূপী মানৱতা থকা সেই যুৱকক জীৱন-লগৰী-ৰূপে লৈ সুখেৰে জীৱন যাপন কৰিছিল।



অতুল সুন্দৰী

ট্ৰয় আছিল ফ্ৰিজিয়াদেশৰ এখন নগৰ। মৰ্দন আছিল এইখন দেশৰ ৰজা। তেওঁৰ পত্নীয়ে গৰ্ভ ৰক্ষাত এনিশা এটি সপোন দেখি ভীত হৈ আৰ্তনাদ কৰি উঠিছিল। তেওঁ সেই সপোনত দেখিছিল যে তেওঁৰ এটি অগ্নিজিহ্ব পুত্ৰ উপজিল, আৰু সেই পুত্ৰটিয়ে ট্ৰয় নগৰ জুইৰে ধ্বংস কৰিলে।

পুৱা সাৰ পাই এই সপোনৰ কথাখিনি মহাৰাজক কোৱাত মহাৰাজে তেওঁৰ অন্যতম পুত্ৰ ভৱিষ্যদ্বক্তা কালজ্ঞক সপোনৰ বৃত্তান্ত কৈ ব্যাখ্যা বিচৰাত কালজ্ঞই ভৱিষ্যৎ-গণনা কৰাৰ অন্তত ক'লে যে এই নৱজাত পুত্ৰটিৰদ্বাৰা ট্ৰয় নগৰী প্ৰকৃততেই ধ্বংস হ'ব। গতিকে—তাক ওপজোঁতেই হত্যা কৰাহে উচিত হ'ব।

তাৰ পাছত এদিন গধূলিপৰতে ৰাণীয়ে এটি পুত্ৰ প্ৰসৱ কৰিলে আৰু মহাৰাজ মৰ্দনে সেই শিশুপুত্ৰটিক হত্যাৰ দায়িত্ব তেওঁৰ পশু-পালকৰ ওপৰত জাপি দিলে।

এই পশুপালকৰ নাম ছনিবি। ছনিবিয়ে ৰজাৰ পশুৰ জাক পৰ্বতত চৰাইছিল। মহাৰাজৰ আজ্ঞামতে পশুপালক ছনিবিয়ে নৱজাত ৰাজপুত্ৰটিক পৰ্বতলৈ লৈ গ'ল; কিন্তু মহাৰাজে কোৱা মতে নিজ হাতেৰে শিশুটিক হত্যা নকৰি তাক বহল শিল এচটাৰ ওপৰত শোৱাই থৈ আহিল।

পাঁচ দিনৰ অন্তত পশুপালক ছনিবি তালৈ গ'ল আৰু এটা ভালুকে সেই

শিশুটিক পালন কৰি থকা দেখা পাই অবাক মানিলে আৰু উপলব্ধি কৰিলে—এই শিশুটি নিশ্চয় দৈৱী শিশু, ইয়াৰ ভাগ্যত অপঘাত মৃত্যু—নাই। শিশুটি দেখাত আছিল নয়নমনোহৰ। পশুপালক ছানিৰিয়ে তাৰ নাম দিলে—'মোহন'।

তাৰ পাছত কেইবা বছৰো পাৰ হ'ল। মোহন এতিয়া যথেষ্ট ডাঙৰ হ'ল। সি বুদ্ধিমান বলৱান আৰু দেখাত ৰূপৱান।

আৰু মোহন আছিল অপাৰ সাহসী। এদিন কিছুমান লুটিয়াৰে তাৰ পশুৰ জাকৰপৰা কিছুমান পশু বলেৰে কাঢ়ি লৈ যায় ধৰাত মোহনে অকলেই সিহঁতক মাৰি ভৈয়াম কৰি খেদি পঠাইছিল আৰু তাৰ পশুবিলাকক ওভোতাই অনিছিল।

এইদৰে মোহনেও পশুপালকৰ জীৱন অতিবাহিত কৰি থাকোঁতে এবাৰ দেৱলোকত এক বিচিত্ৰ ঘটনা ঘটিল।

দেৱলোকৰ কোনোবা এক বিবাহ-বাসৰত এবাৰ কলহপ্ৰিয়া নামৰ এগৰাকী দেৱতাই অতিথিবৰ্গৰ মাজ এক স্বৰ্ণফল প্ৰদৰ্শন কৰিলে। সেই স্বৰ্ণফলত লিখা আছিল: 'অতুল সুন্দৰীলৈ'। বিবাহ-স্থলত উপস্থিত থকা তিনিগৰাকী অপ্সৰাই এই স্বৰ্ণফললৈ দাবী জনালে। এই তিনিগৰাকীৰ নাম আছিল যথাক্ৰমে—ভূপুত্ৰী, বুদ্ধিমতী আৰু কামিনী।

এই তিনিজনীৰ মাজত 'অতুল সুন্দৰী' কোন—তাত উপস্থিত থকা দেৱতাসকলে ক'ব নোৱৰাত তিনিও ইন্দ্ৰৰ কাষ চাপিলে।

কিন্তু ইন্দ্ৰয়ো সঠিকভাবে ক'ব নোবাৰি ক'লে যে যিহেতু সিহঁত তিনিওজনীয়েই অনুপম, সিহেতু—"এই নিৰ্ণয় মোৰদ্বাৰা নহ'ব। তোমালোকে পশুপালক মোহনৰ ওচৰলৈ যোৱা। এই নিৰ্ণয়—মোহনেই কৰিব পাৰিব।"

তিনিও অপ্সৰা মোহনৰ ওচৰলৈ গ'ল আৰু সেই স্বৰ্ণফল তাক দিলে আৰু ক'লে, "মোহন, তুমিও দেখাত দেখনিয়াৰ। কিন্তু

আমাৰ মাজত 'অতুল সুন্দৰী' কোন—ক'ব লাগিব আৰু আমাৰ মাজত যিজনীক অতুলসুন্দৰী বুলি স্থিৰ কৰিবা —এই স্বৰ্ণফল তাইক দিব লাগিব। এই আজ্ঞা দেৱৰাজ ইন্দ্ৰৰ আজ্ঞা।"

"মই হ'লোঁ এটা পশুপালক। মইনো দেৱ-সৌন্দৰ্য্যৰ কি জানিম?"

"কিন্তু দেৱৰাজৰ আদেশ!" তিনিও-জনীয়েই একেলগে কৈ উঠিল।

"ঠিক আছে, আদেশ যেতিয়া—পালিম—আৰু মোৰ মতে মই ক'ম। কিন্তু মই যি ক'ম—তাৰ প্ৰতিবাদ কৰিব নোৱাৰিবা, মোৰ ওপৰত ক্ৰোধ প্ৰকাশ কৰিব নোৱাৰিবা। মোৰ ভুল হ'ব পাৰে, কিয়নো—মই এজন নগণ্য মানুহ।" মোহনে ক'লে।

মোহনৰ প্ৰস্তাৱত তিনিও মান্তি হ'ল।

তেতিয়া মোহনে সিহঁতক ক'লে, "তোমালোক ভালেখিনি দূৰলৈ গুচি যোৱা, তাৰ পাছত এজনীকৈ আহিবা মোৰ ওচৰলৈ।"

তিনিওজনী গ'লগৈ।

তাৰ পাছত—প্ৰথমেই আহিল ভূপুত্ৰী। ভূপুত্ৰীয়ে মোহনক ক'লে, "চোৱাঁ, মোক যদি তুমি 'অতুল সুন্দৰী' বুলি মানি লৈ এই স্বৰ্ণফল প্ৰদান কৰা—মই যি বৰ

তোমাক দিম — তাৰ ফলত কোনেও কদাপি তোমাক কোনোধৰণৰ যুদ্ধত পৰাজিত কৰিব নোৱাৰিব।"

"মই হ'লোঁ পশুপালক। যুদ্ধ—বা যুদ্ধত হৰা-জিকাত মোৰনো কি?" মোহনে ক'লে।

ভূপুত্ৰী গুচি যোৱাৰ পাছত আহিল বুদ্ধিমতী। বুদ্ধিমতীয়ে মোহনক ক'লে, "আমাৰ তিনিও জনীৰ মাজত ময়েই অধিকৰো অধিক সুন্দৰী। তুমি যদি স্বৰ্ণফল মোক দিয়া—মই তোমাক অৰ্ধ-পৃথিৱীৰ অধীশ্বৰ কৰি দিম।"

"এ—মই এজাক-দুজাক পশুকে চলাব

নোৱাৰোঁ, আৰু আধা পৃথিৱী চলাব পাৰিমনে? নেলাগে মোক সেইচব। আৰু ভেটি খাই ভাল কৈ ভালৰি বোলোৱাত মই নাই।" মোহনে খাৰাং-খাচ কৈ দিলে আৰু বুদ্ধিমতীয়েও উভতি খোজ বঢ়ালে।

তাৰ পাছত আহিল কামিনী। কামিনীয়ে মোহনক ক'লে, "মোহন, ফ্রিজিয়াত তোমাৰমান দেখনিয়াৰ নাই, স্পার্টাদেশৰ ৰাজকুঁৱৰীৰ সমান সুন্দৰী এই ভুৱনত নাই। স্পার্টাৰ ৰাজকুঁৱৰী তোমাৰ যোগ্য পত্নী হ'ব পাৰে।"

মোহনে ক'লে, "মই দেখোন সেই ৰাজকুঁৱৰীৰ নামটোকো নাই শুনা।"

"কিন্তু সমগ্র পৃথিৱীৰ ৰাজকোঁৱৰহঁতে স্পার্টাৰ ৰাজকুঁৱৰীক পাবলৈ অহোপুৰুষার্থ কৰিছিল। কিন্তু ৰাজকুঁৱৰীয়ে বিয়া কৰালে মহাৰাজৰ ভ্রাতৃক। কিন্তু তুমি যদি ৰাজকুঁৱৰীক পাবলৈ ইচ্ছা কৰা—পাবা।" কামিনীয়ে ক'লে।

"হোৱা বিয়াক নোহোৱা কৰিবা? কিয়? আৰু কেনেকৈ?" মোহনে সুধিলে।

কামিনীয়ে হাঁহি মাৰি ক'লে, "সেই কথা তুমি নাভাবিলেও হ'ব। তোমাৰ আছে যদি মন—হৈ যাব বন। মই যি মন্ত্র মাতিম—তাৰে নোহোৱা কাম ত্রিজগতত নাই। ৰাজকুঁৱৰী ভুৱনসুন্দৰীয়ে তেওঁৰ পতি-প্রাসাদ সুখ-শান্তি সকলো পৰিহৰি

তোমাৰ পিছে পিছে কুকুৰ-ঘূৰণে ঘূৰি থাকিব —আৰুনো কি লাগিব তোমাক?"

কামিনীৰ কথা শুনি মোহনৰ মনত বৰ কৌতূহল উপজিল, "ভুৱনসুন্দৰীনো— কিমান সুন্দৰী?" মোহনে সুধিলে।

"মোতকৈ তেওঁ কম সুন্দৰী নহয়।" কামিনীয়ে হাঁহি হাঁহি ক'লে।

মোহনে সুধিলে, "সেই ভুৱনসুন্দৰী ৰাজকুঁৱৰী মোৰেই হ'ব বুলি তুমি অংগীকাৰ কৰিব পাৰিবানে?"

কামিনীয়ে যেতিয়া এই অংগীকাৰ কৰিলে, তেতিয়া মোহনে স্বৰ্ণফল কামিনীৰ হাতত অৰ্পণ কৰিলে।

এই কথাত আন দুজনীয়ে বেয়া পালে, কিন্তু চুক্তি মতে কোনো প্ৰতিবাদ নকৰিলে।

'ভুৱনসুন্দৰী' প্ৰকৃততে আছিল 'অতুল সুন্দৰী'। তেওঁৰ তুলনা তেৱেঁই, তুলনাৰ কাৰণে আন কোনোজনীক পাবলৈ নাই। সাক্ষাৎ ইন্দ্ৰ আৰু মানিনীৰ সন্তান আছিল এই 'ভুৱনসুন্দৰী'। কোৱা হৈছিল যে— ভুৱনসুন্দৰী এটি ডিম্বৰপৰা অৰ্থাৎ কণীৰপৰা উপজিছিল। স্পাৰ্টাৰ ৰজা থেডনে ভুৱনসুন্দৰীক পালন-পোষণ কৰি ডাঙৰ-দীঘল কৰিছিল। যেতিয়া ভুৱনসুন্দৰী কাছান্দ্ৰা, বিবাহযোগ্য হৈ উঠিল, তেতিয়া অনেক দেশৰ ৰাজকোঁৱৰ ঢপলিয়াই আহিল কাছান্দ্ৰাক পত্নীৰূপে পাবলৈ। ৰাজকোঁৱৰসকলে যথোচিত বহুমূল্য



উপহাৰ-উপঢৌকনো লৈ আহিছিল। কিন্তু—মাত্ৰ এজন আহিছিল শুদাহাতে।

মহাৰাজ থেডনৰ আগত তেতিয়া সমস্যা বিষম। ভুৱনসুন্দৰী কাছান্দ্ৰাক কাৰ হাতত অৰ্পণ কৰিব—এই চিন্তাত তেওঁ অস্থিৰ। কোনোবা যোগ্য ৰাজ-কোঁৱৰক দিব পাৰে; কিন্তু বাকীবোৰ ৰাজকোঁৱৰে তেতিয়া হুলস্থুল লগাব। এই কাৰণে—তেওঁ কন্যাৰ বিবাহৰ বিষয়ে কাকো কথাও নিদিলে আৰু উপহাৰ-উপঢৌকনো গ্ৰহণ নকৰিলে।

একো উপহাৰ-উপঢৌকন নোলোৱাকৈ অহাসেই শুদাহতীয়াৰাজকোঁৱৰ 'মজিয়াৰে' মহাৰাজক একান্তে ক'লে, "আপুনি যে উভয়সংকটত—জানো মই। আপুনি মোক কিঞ্চিত সহায় কৰক, মই আপোনাক এনে মহা-সংকটৰপৰা উদ্ধাৰৰ উপায় দিম।"

"কোৱা, কি সহায় লাগে মোৰপৰা। কিন্তু—মোৰ সমস্যাৰ সমাধান কেনেকৈ কৰিবা?" মহাৰাজ থেডনে ৰাজকোঁৱৰ মজিয়াৰক সুধিলে।

"শুনক, আপুনি আপোনাৰ ভাতৃ মাগুনদেউৰ পুত্ৰী 'মানিটা'ক মই যাতে পত্নীৰূপে পাওঁ—তাৰ বন্দৱস্ত কৰক। আৰু — আপুনি আপোনাৰ মনে-খোৱা যেইকোনো এজন ৰাজকোঁৱৰক ৰাজকুঁৱৰী ভুৱনসুন্দৰী কাছান্দ্ৰাক দিয়ক। মই যি ব্যৱস্থা ল'ম—তাৰ ফলত আন কোনো ৰাজকোঁৱৰেই এই কথাত হৈ-হুলস্থুল নকৰিব।" ৰাজকোঁৱৰ মজিয়াৰে ক'লে।

"কি ব্যৱস্থা ল'বা—প্ৰথমতে সেই কথা কোৱা। মানিটাজনীৰ কথা মোৰ ওপৰত নিশ্চিন্তে এৰি দিয়া।" মহাৰাজ থেডনে কথা দিলে।

"ঠিক ঠিক, মই কোৱা মতে কাম কৰিব লাগিব, মহাৰাজ!" মজিয়াৰে ক'লে, "ভুৱনসুন্দৰী কাছান্দ্ৰাক বিবাহ কৰাবলৈ যিমান ৰাজকোঁৱৰ আহিল, সকলোকে ইয়ালৈ মতাই অনাওক।

ভুৱনসুন্দৰী যে মাত্ৰ এজনৰহে হ'ব পাৰে, সেই কথা ৰাজকোঁৱৰসকলক বুজাই কোৱা হ'ব, আৰু তথাপি যদি কোনোবাই কিবা গণ্ডগোল কৰে—ৰাজকোঁৱৰসকলেই বাধা দিব—বুলি অনুৰোধ কৰা হ'ব। আৰু—এই ৰাজকোঁৱৰসকলেই যাতে আক্ৰমণ-কাৰীৰপৰা কাছান্দ্ৰাক আৰু কাছান্দ্ৰাৰ পতিক ৰক্ষা কৰে—তাৰ বাবে অনুৰোধ জনোৱা হ'ব।"

মজ্জিয়াৰৰ 'উপায়' তথা ব্যৱস্থা মহাৰাজে ভালেই পালে আৰু সেই মতে তাত সমৱেত সকলো ৰাজকোঁৱৰৰ আগত যথোচিত সন্মানৰে এই বিবাহ-ঘটিত সমস্যাৰ কথা দাঙি ধৰিলে তেওঁ।

ৰাজকোঁৱৰসকলে সানন্দে সন্মতি দিলে মহাৰাজৰ প্ৰস্তাৱত।

তাৰ পাছত—মহাৰাজে নিশ্চিন্ততাৰে ভুৱনসুন্দৰী তথা 'অতুল সুন্দৰী' কাছান্দ্ৰাৰ বিবাহ সম্পন্ন কৰিলে।

আৰু একেদিনাই ৰাজকোঁৱৰ মজিয়াৰ-মানিটাৰ বিবাহও হৈ গ'ল।

মানিটাৰ পিতৃ মাগুনদেৱে তেওঁৰ জোঁৱায়েকক ক'লে, "বোপা, মই মানিটাক এৰি থাকিব নোৱাৰিম। তুমি এই স্পাৰ্টাতে থাকা।"

কিন্তু ৰাজকোঁৱৰ মজিয়াৰে মাগুন-দেৱৰ এই প্ৰস্তাৱত সন্মতি নিদিলে আৰু বিবাহিতা পত্নী মানিটাক ক'লে, "তুমি যদি মোৰ সৈতে যাবলৈ ইচ্ছা কৰিছা—ব'লা। যদি ইচ্ছা নাই—নিজৰ পিতৃৰ ওচৰত স্বচ্ছন্দে থাকা।"

মানিটা মৌন হৈ থকাত পিতাক মাগুনদেৱেই তাইক পতিৰ সৈতে যাবলৈ ক'লে আৰু জী-জোঁৱাই গুচি যোৱাৰ পাছত মাগুনদেৱে তেওঁৰ অতিকে' মৰমৰ পুত্ৰী মানিটাৰ মূৰ্তি এটি স্থাপন কৰি ল'লে — যিটি মূৰ্তি সিদিনাৰ সেই স্পাৰ্টাত আজিও বিদ্যমান। [আগলৈ



জালখন

গোবিন্দও ওলাল, আৰু কোনোবাই হাঁচিলে। মনে মনে হাঁচিয়াৰক গালি পাৰি গোবিন্দ যেতিয়া পুনৰ ঘৰলৈ ঘূৰিবলৈ খোজ বঢ়ালে, তেতিয়া চকু পৰিল চুবুৰীয়া ৰামশাস্ত্ৰীৰ ওপৰত, ৰামশাস্ত্ৰীও ক'ৰবালৈ যাবলৈ ওলাইছে আৰু হাঁচিৰ শব্দ শুনিও তেওঁহেন শুভমুহূৰ্ত চাই ওলোৱা মানুহজনেও আগেই বাঢ়িছে। শাস্ত্ৰীয়ে—সৰু-বৰ যি কামতেই নহওক ওলাবলৈ শুভ মুহূৰ্তলৈ বৈ থাকে, শুভ মুহূৰ্ত নাপায় যদি ঘৰত থাকে। গতিকে—হাঁচিৰ শব্দ শুনিও যেতিয়া ৰামশাস্ত্ৰী ঘূৰিল, তেতিয়া গোবিন্দও ঘৰলৈ ঘূৰি আগেই বাঢ়িল।

যি কামত ওলাইছিল, গোবিন্দৰ সেই কাম সুচাৰুৰূপেই সম্পন্ন হ'ল। সেই কামৰপৰা উভতি আহি ৰামশাস্ত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰাৰ মনেৰে গোবিন্দ তেওঁৰ ঘৰলৈ গ'ল।

গোবিন্দৰ কথাখিনি ধৈৰ্য্যৰে শুনি ৰামশাস্ত্ৰীয়ে ক'লে, "আজিকালি আৰু সিমান মনঃসংযোগ কৰিব নোৱৰা হৈ পৰিছোঁ, বোধ কৰোঁ সেই কাৰণে হাঁচিৰ শব্দ শুনাই নাছিলোঁ মই। আৰু—মই যে ওলাইছিলোঁ—বৰ ডাঙৰ কোনো কামত নহয়, ভুকি থকা কুকুৰ এটাক খেদিবলৈহে। অশুভ মুহূৰ্তত ওলোৱাবিধৰ মূৰ্খ মই নহওঁ নহয়— ?"

শুনি গোবিন্দই ৰামশাস্ত্ৰীলৈ ভেবা লাগি চাই থাকিল আৰু পাছত গোবিন্দই শুভমুহূৰ্তৰ জাল ফালি ওলাই মুক্তিৰ উশাহ ল'লে। শুভ বা অশুভ মুহূৰ্ত বোলা যে একো নাই, হাঁচি-হামি যে কোনো কামৰ বাধা হ'ব নোৱাৰে, সেই কথাটি মনে-চিতে উপলব্ধি কৰিলে।



ভকতিৰ শকতি

আকৌ ৰজা বিক্ৰমাদিত্যই সেই শ'টো কান্ধত লৈ কিনকিনীয়া বৰষুণ আৰু কিচকিচীয়া এন্ধাৰৰ মাজেদি ভূত-প্ৰেত শিয়াল-সৰ্পৰ আবাসস্থল মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে লৰি-চৰি উঠি ক'লে, "হে ৰজা, তুমিও যে এজন কঠোৰৰো কঠোৰ তপস্বী, সেই কথাত মোৰ কোনো সন্দেহ নাই। কিন্তু কেতিয়াবা যে তপস্বীও দৰাচলতে স্বাৰ্থী—আৰু ঈশ্বৰপৰা শান্তিপ্ৰাপ্তও হয় —সেই কথাৰ প্ৰমাণ পাবা ধীৰ-কাহিনীৰ-পৰা। ধীৰ-কাহিনী প্ৰকৃততে তপস্বী আৰু পতিব্ৰতা নাৰীৰ কাহিনী। এই কাহিনী তোমাৰ পক্ষে শিক্ষামূলক তথা চৈতন্যদায়ক হ'ব পাৰে। আৰু—এই কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ পথশ্ৰম কিঞ্চিত লাঘৱ হ'ব পাৰে।" এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে :

'বেতাল-কথা'



ইয়াৰ দেখোন সিপিনেও মন-কাণ নাই।

আৰু—যদিও সি ধীৰ ধীৰগতিৰে হ'লেও ডাঙৰো হ'ল দীঘলো হ'ল, তথাপি কোনো কামৰ লায়ক নহ'ল। খাব-জীৰৰ লখ নথকাক ছোৱালী দিব কোনে? এই কথাত কেইজনৰো লগত কথা পাতি চালে ধীৰে, কিন্তু কোনেও তাক ছোৱালী দিবলৈ 'হয়' নকৰিলে। দুখীয়াৰো দুখীয়াৰ ছোৱালীকো বোৱাৰী হিচাপে লোৱাৰ চেষ্টা নকৰা নহয়, কিন্তু সিহঁতেও নকয়—'হয়' কয়—'নহয়'।

হেমগিৰি নামৰ গাঁৱত ধীৰ নামৰ এজন যুৱক আছিল। ধীৰৰ কথাত তাৰ মাক-দেউতাক অতিপাত চিন্তিত, কিয়নো—সি হেনো এটা খহুয়া ভেকুলী। তাক যে কেনেকৈ পোনাব-পোহমনাব বহু বহু ভাবিও সেই কথা ঠাৰৰ কৰিব নোৱাৰিলে ধীৰৰ দেউতাক বীৰে। ডাঙৰ হ'লে ঠিক হৈ যাব বুলি ভাবি, আৰ-তাৰ কথা শুনি ইমান দিন ৰ'ল, কিন্তু একো নহ'ল।

অৱশ্যে—বিয়া-বাৰু কৰাৰ আগতে বহুতৰে এনেকুৱা হয়, বিয়াৰ পাছত সকলো ঠিক হৈ যায় — তেওঁলোকও নেদেখা নহয়, দেখিছে ঢেৰ। কিন্তু—

কৰমপুৰ আছিল হেমগিৰি গাঁৱৰ চুবুৰীয়া গাঁও, আৰু ধৱল আছিল সেইখন গাঁৱৰে এজন দৰিদ্ৰ কৃষক। ধৱলৰ একেটি মাথোন সন্তান—শান্তা। শান্তা দেখাত সাধাৰণ, কিন্তু স্বভাৱত বৰ মধুৰ আৰু শান্ত। আৰু অতি সদগুণৱতী। তাই পঢ়া-লিখা ষিখিনি জানিছিল, তাৰে পুৰাণ-মহাভাৰত আদি ধৰ্মগ্ৰন্থ সকলোবোৰাই মনপুতি পঢ়িছিল।

এবাৰ শান্তাজনীৰ মাক টান অসুখত শয্যাশায়ী হৈ পৰিল। তেতিয়া আন উপায় নেদেখি নিৰুপায়ত পৰা দুখিনী শান্তাজনী কৰমপুৰৰ গাঁওবুঢ়াৰ পৰিয়ালৰ কাম চাপিল।

গাঁওবুঢ়াৰ পৰিবাৰ যেতিয়া টান

বেমাৰত পৰি অলৰ-অচৰহেন হৈছিল, তেতিয়া শান্তাজনীয়ে গাঁওবুঢ়াৰ ঘৰত থাকি তেওঁৰ আলপৈচান ধৰিছিল। ধীৰৰ দেউতাক বীৰো তাতেই বহি আছিল তেতিয়া। তেতিয়াই তেওঁ শান্তাজনীক বোৱাৰী হিচাপে লোৱাৰ কথা মনতে পাঙিছিল। ভাল হৈ উঠাৰ অন্তত গাঁও-বুঢ়াৰ পৰিবাৰে শান্তাজনীক কৈছিল, "তোমাক যেতিয়াই যি লাগে আহিবা, মোৰ কাষ চাপিবা, সকলো পাই যাবা—তুমি আমাৰ ঘৰৰে বুলি ভাবিবা।"

গতিকে—তাই বিপাঙত পৰি সেই কথা সুঁৱৰি গাঁওবুঢ়াৰ পৰিবাৰৰ কাষ চাপিল আৰু তেওঁ তাইক সকলোপ্ৰকাৰে সহায় কৰিলে, শান্তাৰ মাকৰ চিকিৎসাৰো বন্দবস্ত কৰি দিলে আৰু—গাঁৱত ধৰলৰ যি ঋণ আছিল সেই ঋণো পৰিশোধ কৰিলে তেওঁ।

ধীৰৰ দেউতাক বীৰে এদিন ধৰলক ক'লে, "গাঁৱত আমাৰ পাঁচ হালিচামান খেতি-মাটি আছে। সেই মাটিখিনি তুমি লোৱা, আৰু মোৰ ল'ৰাটোৰ লগত শান্তাজনীৰ যোৱা পাতি দিয়া।"

ধীৰৰ দেউতাক বীৰৰ কথাত ধৰলৰ বুকুত ধান বনাদি বানি থাকিল। ধৰলে ধীৰৰ বিষয়ে জানিবলৈ খোজাত বীৰে বীৰৰ দৰেই ধীৰৰ বা-বিবৰণ একো নুলুকোৱাকৈয়েই কৈ দিলে আৰু শেষত মন্তব্য কৰিলে, "এই বিয়াখন হয় যদি—তোমাৰো গৰিবী হটিব আৰু মোৰ ল'ৰাটোৰো কুৰীয়ামী কমিব বুলি ভাবোঁ।"

ধৰলে এই বিয়াত সন্মতি দিবলৈ মুখ মেলোঁতেই শান্তাই নিজেই দিলে উকলী, ক'লে, মই ৰাজী।

ধীৰে-ধীৰে নহয়, খৰেতকেই ধীৰৰ সৈতে শান্তাৰ বিয়াখন পতা হৈ গ'ল। ধীৰে এই কথা ভাবি ভয় খাইছিল যে—বিয়াৰ পাছত শান্তাই তাক শাল মাৰি ধৰিব। কিন্তু তেনেকুৱা একোৱেই নহ'ল,

বৰঞ্চ ধীৰে মাক-দেউতাকৰ বজ্ৰ-চেপনৰপৰ এৰা পাই আগতকৈও বেছিকৈ চৰিব-ফুৰিব পৰা হ'ল। সি ক'লৈ ওলায়, কি কৰে—একো-এটাও শান্তাই নোসোধে। শান্তাৰ দৃষ্টিত স্বামী হ'ল ভগৱন্ত। ভগৱন্তক সুধিলন্ত পাপৰ নাথাকিব অন্ত।

কিন্তু ধীৰৰ মাক-দেউতাকে মুঠেই ভাল নাপালে শান্তাৰ এনেবোৰ আচৰণ। তাই ধীৰক ধীৰে ধীৰে আঠুৱাৰ মহ কৰিব পেলাব, তাৰ মাজত থবা সকলো বীৰত্ব গুচি সি হৈ পৰিব তিৰীৰ ভুচুং—তেহে!

কথা হ'ল বিপৰীত। শান্তাই তেওঁলোকৰ আশাত মৃৰত চেঁচা পানী ঢালিলে।

এদিন শহুৰেক বীৰে বোৱাৰীকে বুজিলে, ভাটৌ পঢ়ুৱাদি পঢ়ালে, কি কৰিব লাগে-নালাগে ক'লে তাইক; কিন্তু ফলহে একো নহ'ল। শান্তাই সকলো কথা শান্ত ভাবে শুনি ক'লে, "আপোনালোক ডাঙৰ, ডাঙৰৰ কথা শুনিব লাগে, শুনিলো। কিন্তু তেওঁ মোৰ ভগৱন্ত। মই পতিব্ৰতা হৈ, তেওঁক দুখ নিদিয়াকৈ সেৱা কৰিম—এয়ে মোৰ ধৰম।"

কিছুদিনৰ অন্তত ধীৰ অসুস্থ হ'ল। সি খাটৰপৰা নামিব নোৱৰা হ'ল। বৈদ্যই তাক পৰীক্ষা কৰি ক'লে, "বেয়া বেয়া অভ্যাসৰ ফলত এই বেমাৰ, কোনো দৰবে গুণ নিদিব, মুঠমাঠ—বেমাৰীয়ে এনেকৈয়েই জীৱন কটাব লাগিব।"

কিন্তু তথাপি শান্তা নিৰাশ নহ'ল, বা পতিৰ প্ৰতি তাইৰ কোনো ঘৃণাও নোপজিল। তাই একমনে সেৱা-যত্ন কৰি থাকিল আৰু চিন্তি থাকিল যে কেনেকৈ কিপ্ৰকাৰে এওঁক ভাল কৰি তুলিব পাৰি।

এনেতে এদিন এজন সাধুবাবা আহিল। ধীৰৰ মাক-দেউতাকে, আৰু লগতে শান্তাজনীয়েও যেনিবা আশাৰ পোহৰ দেখা পালে। ধীৰৰ দেউতাকে বীৰক ক'লে, "আপোনাৰ বোৱাৰী যদি পতিব্ৰতা, তেনেহ'লে আপোনাৰ পুত্ৰ ভাল

হৈ উঠিব, স্বাভাৱিক জীৱন ঘূৰাই পাব। হেমগিৰিৰ উত্তৰ সীমাত যি মহাৰণ্য আছে, তাত ৰামকুপা নামৰ সৰোবৰৰ পাৰত আছে এজোপা আম। সেই আমজোপাৰ সাৰ—অৰ্থাৎ আমজোপাৰ মাজৰ টান অংশ এচিকুটমান চোবাই খালেই পুত্ৰৰ সুস্থতা ঘূৰাই পাব। এই সাৰেৰে যেই-কোনো টানৰো টান অসুখ নোহোৱা হয়।"

"আমাৰ বোৱাৰী যে পতিব্ৰতা—সেই কথা চন্দ্ৰ-সূৰ্য্য ওলোৱাৰ দৰেই সত্য। যি কি নহওক—মই নিজেই তাৰপৰা আমগছৰ সাৰ লৈ আহিম।"

ধীৱৰ পিতাক বীৰৰ কথাত সাধুবাবাই ক'লে, "ওহোঁ, সেইটি নহ'ব। স্বামীৰ কাৰণে স্বয়ং পত্নীয়েহে আনিব গৈ। আৰু —পত্নীয়ে স্বামীক পাচি এখনত বহুৱাই অকলেই—কাৰো সহায় বিনে—সম্পূৰ্ণ অকলেই সেই আমজোপাৰ তললৈ কঢ়িয়াই লৈ যাব লাগিব। আন কোনেও ছুবও নালগিব। তেহে মহিমাৰ প্ৰকাশ হ'ব। পত্নীয়ে নিজৰ কুঠাৰেৰে নিজেই গছজোপা কাটিব লাগিব।"

সাধুবাবাৰ কথাখিনি শান্তায়ো শুনি তেতিয়াই বিৰাট পাচি এখনত স্বামীক বহুৱাই তাক মূৰত উঠাই লৈ সেই মহাৰণ্যলৈ গৈ থাকিল। কিন্তু কিছু দূৰলৈ

গৈয়েই তাই সেই বিৰাট গধুৰ পাচিটো কঢ়িয়াব নোৱৰা হৈ পৰিল আৰু তাই বাধ্যত পৰি এঠাইত বহি পৰিল। লগে লগে তাইৰ মূৰৰপৰা পাচি একালে আৰু পতি অন্য কালে বাগৰি পৰিল। তাই কৈ উঠিল, "হে ভগৱান! মই যদি পতিব্ৰতা, মোৰ পতিয়ে যেন দুখ নাপায়, তেওঁ যেন দেহে-মনে ভাল হৈ উঠে।"

অলপ পাছত তাই পুনৰ স্বাভাৱিকতা ঘূৰাই পাই চকু মেলি চালে। তেতিয়া ধীৱে ধীৱে কৈ আছিল, "পিয়াহত কণ্ঠ শুকাল। কুঁহিয়াৰৰ ৰস খোৱাৰ মন।" ধীৱৰ মাতত ধীৰতা।



লগে লগে সেই আমটোৱে এটা টেমাৰ ৰূপ ল'লে। টেমাটোৰ ভিতৰত আছিল সুগন্ধিত ৰস। এই ৰস কুঁহিয়াৰৰ ৰস।

শান্তাই ধীৰক এই ৰস পি-খাবলৈ দিলে আৰু তাৰ পাছত কুঠাৰখন লৈ আগুৱাই গ'ল আমগছজোপা কাটিবলৈ। কাটি—তাৰপৰা সাৰ—গছৰ মাজৰ টান অংশ অলপমান ল'ব লাগিব—তেহে পতি ভাল হৈ উঠিব।

কিন্তু তাইক সেই বিশাল গছজোপা কাটিবলৈ বাধা দিলে তাত থকা গেৰুৱা পিন্ধা তপস্বীয়ে।

শান্তাই তপস্বীজনক সকলো কথা ভাঙি-পাতি ক'লে, কিন্তু গছজোপা কাটিবলৈ তথাপি নিষেধ কৰিলে তপস্বীয়ে।

আৰু পাছ মুহূৰ্ততেই শান্তাৰ হাতত কুঠাৰখন আপোনা-আপুনি বতাহৰ বোকোচাত ভাহি ফৰিবলৈ ধৰিলে।

শান্তাই তপস্বীক প্ৰণাম কৰিলে আৰু ক'লে, "আপুনি মোৰ অসুস্থ পতিক সুস্থ কৰি তোলক, নতুবা —হে মহাত্মা! মোক এইদৰে বাধা নিদিয়ক।"

তপস্বীয়ে ক'লে, "তোমাৰ পতি হ'ল —ঘোৰ পাপী। সি তাৰ পাপৰ ফল ভুজিছে, আৰু ভুজি থাকিব। মোৰ তো কথাই নাই, স্বয়ং ঈশ্বৰেও তাক পাপৰ

এইবাৰ শান্তাই বৰ আচৰিত মানিলে। সিহঁতহাল এতিয়া য'ত বহি আছে—তাতেই দেখোন এটা বিশাল সৰোবৰ আৰু সৰোবৰৰ পাৰত এজোপামাত্ৰ আমগছ! তাৰ মানে—ভগৱন্তৰ কৃপাত সিহঁত আহি পালেহিয়েই!

শান্তাই পাচিত থকা কুঠাৰখন হাতত লৈ আমজোপালৈ চালে। আমগছ-জোপাত তেতিয়া সোণোৱালী বৰণৰ পকা পকা আম ওলমি থকা দেখা পাই তাই ভাবিলে: এতিয়া তো আমৰ সময় নহয়, সকলো ভগৱন্তৰ লীলা।

তাই আম এটি বুটলি আনিলে, আৰু

পৰাচিত্তৰপৰা ৰেহাই দিব নোৱাৰে।"

শান্তাই দৃঢ় কণ্ঠেৰে কৈ উঠিল, "হে ভগৱান! মই যদি পতিব্ৰতা নাৰী— মোক তুমি সহায় কৰাঁ!"

আৰু লগে লগে শূন্যত ভাহি থকা কুঠাৰখন শূন্যৰপৰা নিজে নিজেই নামি আহিল আৰু কুঠাৰখনে আপোনা-আপুনিয়েই গছজোপা কাটি থাকিল। চাওঁতে চাওঁতে গছজোপা উভালি পৰিল আৰু তেতিয়া শান্তাই গছৰ টান অংশ অল্পমান লৈ সৰোবৰৰ পানীৰে ধুই ধীৰক দিলে আৰু ধীৰে সেইখিনি চোবাই খোৱাৰ লগে লগেই পৰিপূৰ্ণ সুস্থতা ঘূৰাই পালে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! এই ঘটনা কেনেকৈনো ঘটিল? শান্তাহেন এক অতি সামান্যা নাৰীয়ে আনকি মহান তপস্বীকো পৰাস্ত কৰি কেনেকৈনো ঈশ্বৰৰ প্ৰত্যক্ষ আশীৰ্বাদ পাইছিল? ঈশ্বৰৰ এই কাৰ্য্যৰ অন্তৰ্নিহিত অৰ্থ কি?—মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ জানিও যদি নোকোৱা, তেনহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "পুৰাণৰ উক্তিমতে--পতিব্ৰতা নাৰীক আনকি স্বয়ং ঈশ্বৰেও অস্বীকাৰ কৰিব নোৱাৰে। তপস্বী আছিল স্বাৰ্থী, আত্মস্বাৰ্থৰ কাৰণেই তেওঁৰ তপস্যা; কিন্তু শান্তা স্বাৰ্থী নাছিল, শান্তাই নিজৰ কাৰণে নহয়, আনৰ কাৰণে ভকতিৰ শকতি প্ৰয়োগ কৰিছিল বুলিহে তপস্বীৰ শকতিক পৰাস্ত কৰি ঈশ্বৰৰ প্ৰত্যক্ষ আশীৰ্বাদ তথা সহায়তা প্ৰাপ্ত হৈছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতাল পুনৰ সেই প্ৰাচীন গছজোপালৈ বিজুলীগতিৰে গুচি গ'ল আৰু তাৰ ডালত ওলমি থাকিল। [কল্পিত

পুণ্যৱান

পদুমপুৰৰ বাটত কাম-কৰা মানুহ এজনে উজুটি খালে আৰু তাৰ মুৰত থকা কঁাচৰ পাত্ৰৰ পাচিটো বাটৰ ওপৰত পৰি ভাগি টুকুৰা-টুকুৰ হৈ দিলে। বাটৰুৱাইতে সেই মানুহটোক উঠালে আৰু তাৰ প্ৰতি যথেষ্ট সহানুভূতি প্ৰকাশ কৰিলে।

ভিৰৰ মাজৰপৰা এজন মানুহ ভিৰ ফালি আগ বাঢ়ি আহিল আৰু তেওঁ মানুহটোক ক'লে, "এচ্ ! কঁাচৰ বাচন বোলা কথা—একেবাৰে—যাক বোলে চৰখৰীয়াত পৰাদি পৰিলা। তোমাৰ মালিকে তোমাৰ দৰমহাৰপৰা এই পইচা নিশ্চয় উচুল কৰিব আৰু আওমৰণে মৰিবা তুমি। যি হওক—আমি ইয়াত থকাসকলে তোমাক যদি এটিকৈ টকাও দিওঁ, এইবাৰলৈ সাৰিব পাৰিবা।" এই বুলি কৈ তেওঁ নিজে টকা এটা কাম-কৰা মানুহটোৰ হাতত দিলে, আৰু তেওঁক দিয়া দেখি আন বহুতেও এটাকৈ টকা দিলে।

তাৰ পাছত—কাম-কৰা মানুহটোৱে সেই টকাখিনি লৈ যেতিয়া পুনৰ ৰাওনা হ'ল, তেতিয়া এজনে ক'লে, "যোৱা, নিঃচিন্ত মনেৰে যোৱা, এতিয়া আৰু তোমাৰ মালিকে তোমাক গালি-ছালি নাপাৰে, তোমাৰ দৰ্মহাৰপৰা টকা উচুল নকৰে। —তোমাৰ মালিক বাৰু কোননো ?"

কাম-কৰা মানুহটোৱে ক'লে, "তেওঁ হ'ল—সেই পুণ্যৱান, যিজনে মোক পথম টকাটো দিছিল। তেৱেঁই মোৰ মালিক।"

মানুহখিনিয়ে পৰস্পৰলৈ ভেবা লাগি চালে, তিমানতে পুণ্যৱানে পাৰ পালেগৈ।

ভাৰতৰ বৃক্ষৰাজি

শোকহীন বৃক্ষ

ৰাৱণে সীতাক অপহৰণ কৰি অশোক বৃক্ষৰ তলত বন্দী কৰি ৰাখিছিল লংকা-নগৰীৰ উদ্যানবনত। হনুমানে সীতাক বিচাৰি পাইছিল অশোকবৃক্ষৰ তলতে। এনেবোৰ কাৰণতে অশোকবৃক্ষ হিন্দুসৱৰ ওচৰত পৱিত্ৰ বৃক্ষৰূপে বিৰাজিত।

জনশ্ৰুতি, গৌতম বুদ্ধ উপজিছিল লুম্বিনী বনত — অশোকবৃক্ষৰ তলত। সম্ৰাট অশোক অশোকবৃক্ষৰ পুলি সিংহললৈ তথা আজিৰ শ্ৰীলংকালৈ— অনুৰাধাপুৰলৈ পঠিয়াইছিল আৰু সেই অশোকবৃক্ষজোপা আজিও তাত সঞ্জীৱিত হৈ আছে। বৌদ্ধসকলে অশোকবৃক্ষক পৱিত্ৰ বুলি গণ্য কৰে।

সেমেকা বতৰ থকা যিকোনো ঠাইত অশোকবৃক্ষ ওপজে। অশোকবৃক্ষৰ উচ্চতা অল্পাধিক ১০ মিটাৰ। অশোকবৃক্ষৰ শাখা-প্ৰশাখা অতি চুটি চুটি। অশোকফুল থোপা-থোপে ওপজে। অশোক ফুল ফুলোঁতে হালধীয়া বৰণৰ, তাৰ পাছত কমলা আৰু সদৌ শেষত ৰঙা বৰণ লয়।

দেৱতাৰ পূজাতো অশোক ফুলৰ ব্যৱহাৰ পৰিলক্ষিত হয় আৰু অশোকৰ ফুল-ফল-ডাল-পাতেৰে অতি আৱশ্যকীয় আষুধি প্ৰস্তুত কৰা হয়।

শিখধৰ্মৰ সংস্থাপক গুৰু নানকক (১৪৬৯—১৫৩৯) ঈশ্বৰে কৈছিল :

"তুমি যিজনক আশীৰ্বাদ কৰিবা, ময়ো সেইজনক আশীৰ্বাদ কৰিম। তুমি যিজনৰ প্ৰতি কৰুণা কৰিবা, ময়ো সেইজনৰ প্ৰতি কৰুণা কৰিম। ময়েই পৰমদৈৱ, সৃষ্টিকৰ্তা, তুমি গুৰু।" এই বুলি ঈশ্বৰে গুৰু নানকলৈ আশীৰ্বাদ কৰিছিল।

গুৰু নানকৰ শিক্ষাৰ প্ৰচাৰ কৰিছিল গুৰু অংগদ, গুৰু অমৰদাস, গুৰু ৰামদাস প্ৰমুখ শিষ্যবৰ্গই। এওঁলোকৰ পাছত শিষ্য অৰ্জুনে (১৫৬৩—১৬০৬) গুৰুৰ উক্তিসমূহ সংকলিত কৰি উলিয়াইছিল

আদি গ্ৰন্থ

ঈশ্বৰ এক।
তেৱেঁই পৰম সত্য।
তেওঁ সৃষ্টিকৰ্তা।
তেওঁ ভীতি-দ্বেষ ৰহিত।
তেওঁ সৰ্বব্যাপী।
তেওঁ পূজনীয়।
কালৰ পূৰ্বতো
সত্য আছিল।
কালৰ প্ৰাৰম্ভৰপৰা
তেৱেঁই সত্য।
আজিও তেৱেঁই সত্য।
সদা সত্যয়েই নিত্য।

আৰু লগতে তেওঁৰ নিজৰ ৰচনাও সংযোজিত কৰিছিল। শিখধৰ্মগ্ৰন্থ সৰ্বপ্ৰথমে তেৱেঁই সংকলিত কৰিছিল আৰু সেইখনেই হ'ল 'আদি গ্ৰন্থ'।

১৬০৪ চনত এই গ্ৰন্থ অমৃতসৰৰ মন্দিৰত ৰখা হৈছিল। এইখন গ্ৰন্থক 'গ্ৰন্থ ছাহিব' বুলি কোৱা হয়। এইখন গ্ৰন্থত কেৱল শিখধৰ্মৰেই নহয়, হিন্দু আৰু জৈনধৰ্ম-সম্পৰ্কিত আধ্যাত্মিক শিক্ষাৰো উল্লেখ আছে। যদিও এই গ্ৰন্থত তাত্ত্বিক আলোচনাদিও আছে, তথাপি অতি সৰল-সাধাৰণ ভাষাৰে লিখিত হোৱাত সহজ-সৰ্বজন বোধগম্য।

শিখধৰ্মৰ স্থাপনা পঞ্চদশ শতিকাত আমাৰ দেশতে হৈছিল। কেৱল শিখসকলেই নহয়, 'গ্ৰন্থ ছাহিব'ক আনকি হিন্দুসকলেও পৱিত্ৰ গ্ৰন্থৰূপে গণ্য কৰে আৰু অতি শ্ৰদ্ধা-ভক্তিপূৰ্ণ অন্তৰে পাঠ কৰে। [খুশৱন্ত সিং-ৰচিত 'শিখসকলৰ ইতিহাস'ৰপৰা]

'শিষ্য' বা 'শিচ্' শব্দৰপৰা 'শিখ' নামৰ উৎপত্তি। শিখ ধৰ্মক দহগৰাকী গুৰু আৰু শিষ্য-সম্বন্ধিত ধৰ্ম বুলি ক'ব পাৰি। 'শিখ' শব্দৰ অৰ্থ হ'ল—গুৰুৰ কাৰণে প্ৰাণো বিসৰ্জিবপৰা শিষ্য। শিখধৰ্মৰ দহোগৰাকী গুৰু হ'ল যথাক্ৰমে :

গুৰু নানক (১৪৬৯ - ১৫৩৯), গুৰু অংগদ (১৫০৪—১৫৫২), গুৰু অমৰদাস (১৪৭৯—১৫৭৪), গুৰু ৰামদাস (১৫৩৪—১৫৮১), গুৰু অৰ্জুনদেৱ (১৫৬৩—১৬০৬), গুৰু হৰগোবিন্দ (১৫৯৫—১৬৪৪), গুৰু হৰিৰাম (১৬৩০—১৬৬১), গুৰু হৰিকিষণ (১৬৫৬—১৬৬৪), গুৰু তেগবাহাদুৰ (১৬২১—১৬৭৪) আৰু গুৰু গোবিন্দসিং (১৬৬৬—১৭০২)।

সৃষ্টিৰ বিষয়ত গুৰু নানকে কৈছিল :

"স্তম্ভবিনে স্ৰজিলে তেওঁ স্বৰ্গ
উচ্চাৰিলা তেওঁ মাথোঁ বাক্য,
স্ৰজিলাহা তেওঁ চন্দ্ৰ-সূৰ্য্য
কৰিলাহা পোহৰ সৰ্ব মাৰ্গ।

নাইহে তোমাৰ মাতৃ-পিতৃ
জনমদাতা নাই কোনো,
নাই জাত-পাত ভেদ-অভেদ,
তুমিনো কোন তাকো নাজানো।

নানকে কৈছিল : এই অনন্ত সৃষ্টিয়েই ঈশ্বৰৰ অস্তিত্বৰ প্ৰশ্নহীন প্ৰত্যক্ষ প্ৰমাণ।

আমি জানো নে ?

১. বিজয়নগৰৰ প্ৰতিষ্ঠাতা হ'ল দুজন ভায়েক-ককায়েক। তেওঁলোক কোন ?

২. এগৰাকী বিখ্যাত লেখকে তেওঁ বসবাস কৰা নগৰখনৰ নাম তেওঁৰ নামতে হোৱাটোকে বাঞ্ছা কৰিছিল। লেখকজনৰ নাম ?

৩. হিন্দীৰ বাহিৰে সৰ্বাধিক কথিত ভাৰতীয় ভাষাসমূহ কি কি ?

৪. সৰ্বাধিক দুৰন্ত সন্তৰণবিদৰ নাম কি ? কেতিয়া আৰু ক'ত সাঁতুৰিছিল ?

৫. প্ৰাচীন ব্যাকৰণ-প্ৰণেতা কোন ? তেওঁৰ ৰচিত গ্ৰন্থৰ নাম কি ?

৬. ছাইকেলৰ আৱিষ্কাৰ কোনে কেতিয়া কৰিছিল ?

৭. কোনখন নগৰক দেক্কান-ৰাণী বুলি কোৱা হয় ?

৮. আধুনিক ছিংগাপুৰৰ স্থাপক কোন ?

৯. 'বম্বে-ড ক্'-ৰ বিচিত্ৰতা কি ?

১০. জাপানৰ পাৰ্ল্যামেণ্টক কি নামেৰে অভিহিত কৰা হয় ?

১১. ফুটবলাৰ পেলেৰ ৰেকৰ্ড কি ?

১২. পৃথিৱীৰ পৰিধি কিমান ?

১৩. পৃথিৱীত সৰ্বাধিক আগ্নেয়গিৰি থকা দেশ কোনখন ?

১৪. এজনে পাঁচসপ্তাহত চাৰিখন চ্যানেল সাঁতুৰিলে। কোন ?

১৫. পানীৰ তলত দুৰন্ত গতিৰে দৌৰিবপৰা জন্তুৰ নাম কি ?

উত্তৰ

১. হৰিহৰ ৰায় আৰু বুক্ক ৰায়।

২. ফৰাছি লেখক ভিক্তৰ উগো।

৩. তেলুগু, তামিল, মৰাঠী, বাংলা।

৪. আমেৰিকাৰ বেনছন হাগ্‌গাৰ্ড, ১৯৭৫ চনত, ফ্লোৰিডাৰপৰা বাহামালৈ, ১৭৩ মাইল।

৫. পাণিনী (খ্ৰীঃ পূঃ চতুৰ্থ শতিকা) অষ্টাধ্যায়।

৬. কিৰ্কপ্যাট্ৰিক ম্যাকমিলান, ১৮৩৯।

৭. পুনে।

৮. স্যাৰ ষ্ট্যামফোৰ্ড ৰ্যাফেলছ, ১৮১৯।

৯. চৰাই নহয়, মাছ।

১০. দি ডায়েট।

১১. পেলে ব্ৰাজিলৰ। ১৯৫৬—১৯৭৪ৰ মাজত ১২৫৪খন খেলাত ১২১৬ গোল দিছিল।

১২. ৫১০, ১০০, ৫০০ স্কোৱেয়াৰ কিল'মিটাৰ।

১৩. ইন্দোনে'জিয়া, সৰ্বমুঠ ৪৫৫টাৰ মাজত ৯৬৭টা আগ্নেয়গিৰি আংকিত হৈছে।

১৪. ফ্ল'ৰেন্স শ্বাদৱিক, আমেৰিকাৰ, ইংলিছ চ্যানেল, জিব্ৰাল্টাৰ প্ৰণালী, বছফৰাছ আৰু দাৰ্দানেলিছ, ১৯৫৩ চনত।

১৫ জলহস্তী।

দুষণধাৰী

দয়ানিধি আছিল মান্যৱন্ত পণ্ডিত। গাঁৱত জমিদাৰ ডাঙৰীয়াই তেওঁৰ অপাৰ পাণ্ডিত্যৰ শলাগ লৈ তেওঁক দহ হালিচা নিষ্কৰ মাটি দান কৰিছিল। গাঁৱৰে ভূষণ নামৰ মানুহ এজনে পণ্ডিতৰ ঘৰত আৰু খেতি-পথাৰতো কামবন কৰিছিল।

ভূষণৰ কাম-কাজ অতি পৰিষ্কাৰ, যি কৰে নিমজকৈয়েই কৰে। কিন্তু দয়ানিধি পণ্ডিত তৃপ্ত নহয়। তেওঁ ভূষণক কয়: "একেবাৰে লেবাই শামুকৰ দৰে কাম কৰিলে হ'বনে? বুদ্ধিৰে কৰিব লাগে। বুদ্ধিয়েই মানুহৰ বুদ্ধি। কাম-কাজৰো।"

ভূষণেও দয়ানিধিপণ্ডিতক বৰ ডাঙৰ বুলি মানে। তেওঁ তাক যেতিয়াই যেনেকৈ কয় তেনেকৈ কাম-বন কৰাৰ দিহা লয়। কিন্তু দয়ানিধিপণ্ডিত তথাপি তুষ্ট নহয়। ভূষণে যেতিয়া খৰ-ধৰকৈ কাম কৰে, তেতিয়া দয়ানিধিপণ্ডিতে ক'ব, "শাস্ত্র পঢ়া নাই, পঢ়াহেঁতেন জানিলাহেঁতেন— কোনো কামতে খৰ-ধৰ কৰিব নাপায়।"

এদিন দয়ানিধিয়ে জলদি জলদিকৈ পিতলৰ বিৰাট পাত্ৰ এটাত নাদৰপৰা পানী ভৰাবলৈ কোৱাত ভূষণে সেই পাত্ৰটোকে ৰছীৰে বান্ধি নাদৰপৰা পানী তুলিছিল, কিয়নো—সৰু বাল্টিৰে বাৰে বাৰে পানী তুলিলে ঢেৰ সময় লাগিব।

কিন্তু ভূষণৰ কাণ্ড দেখি দয়ানিধি পণ্ডিতে ক'লে যে ভূষণে বুৰ্বকৰদৰে এনেকৈ পানী তুলিব নালাগিছিল।

"দেউতা, আপুনিয়েই বুদ্ধি খটুৱাই কাম কৰিবলৈ কোৱা নাছিলনে? এই বুদ্ধি কৰাত কামটো তৎক্ষণাৎ হৈ গ'ল।"

প্ৰকাশ পাঠক

তাৰ কথাৰ উত্তৰত দয়ানিধিপণ্ডিতে ব্যংগ-বিদ্ৰূপৰে ক'লে, "আৰে—বুদ্ধি থকাইহে বুদ্ধি খটুৱাব লাগে, নিৰ্বুদ্ধিয়ে কৰিব লাগে কাম। মই এনেবোৰ টেঙৰ বুদ্ধি খটুৱাবলৈ কৈছিলোঁনে তোমাক? তোমাৰ এই কামত ৰছী ছিঙি পাত্ৰটো নাদৰ ভিতৰত যোৱাৰ সম্ভাৱনা আছিল। টেঙৰালিৰে সকলো কাম নিসিজে।"

"দেউতা, মই ভুলকৈহে ক'লোঁ আপোনাক। মই সঁচাসঁচিকৈ নিজৰ বুদ্ধি খটোৱা নাছিলোঁ। আচলতে—মই কম শ্ৰমেৰে বেছি কাম কৰাৰ দিহা কৰিছিলোঁ।" ভূষণে ক'লে।

"শুনা, বুদ্ধি খটুৱালেই নহ'ব। কেতিয়াবা বুদ্ধি অধিককৈ খটুৱালে তাৰ ফলত মৰণো হ'ব পাৰে। যেনে ধৰা—তুমি পাহাৰলৈ গ'লা, তাত তোমাক হিংস্ৰ জন্তুৱে তোমাক আক্ৰমণ কৰিলে, দিলা লৰ, সাৰিলা। কিন্তু সেই বুলি পাহাৰৰ টিঙৰপৰা লৰৰি জঁপ দিলেও সাৰিবানে? যি দেখিছোঁ—তুমি ভাগ্যক্ৰমে—বা মোৰ মান পণ্ডিতৰ আশীৰ্বাদক্ৰমেএতিয়াও তিষ্ঠি আছা। আগলৈ বুদ্ধিৰ নামত এনেকৈ দুৰ্বুদ্ধিৰ-কুৰ্বুদ্ধিৰ কাম নকৰিবা।" দয়া-নিধি পণ্ডিতে ভূষণলৈ দয়া কৰিলে।

আৰু এইদৰে, দয়ানিধিপণ্ডিতে ভূষণৰ প্ৰতিটো কামতে খুঁত উলিয়ায়, জগৰ ধৰে। তেওঁ যেতিয়া যি কয়—যেনেকৈ



যি উপদেশ দিয়ে—ভূষণে মানি চলিবলৈ অহোপুৰুষাৰ্থ কৰে, কিন্তু দয়ানিধিক একোপধ্যেই তুষ্ট কৰিব নোৱাৰে।

যেনে—ভূষণে কিয় সদায় লেতেৰা কপোৰ-কানিবোৰ পিন্ধি থকা হয়, কিয় চাফ-চিকুণ হৈ নাথাকে—দয়ানিধিপণ্ডিতে কয়, কয় মানে—ককৰ্থে। তাৰ পাছত এদিন ভূষণে যেতিয়া চাফ-চিকুণ কাপোৰ কানি পিন্ধি গাত আতৰ সানি কাম কৰিবলৈ আহিল, তেতিয়া ভূষণক দেখিয়েই পণ্ডিতে কৈ উঠিল, "বোলোঁ—কাম-কাজ কৰিবলৈ আহিলানে মোৰ লগত বহি ভোজ খাবলৈ?"

"দেউতা—আপুনিয়েই চাফ-চিকুণ, কাপোৰ-কানি পিন্ধি মোক আহিবলৈ সদায় কৈ নাথাকেনে?"

"তুমি মিছা কথা কৈছা। আচলতে—তোমাক যাতে কাম-কাজ কৰিবলৈ নকওঁ—তাৰ কাৰণেহে এনেকৈ চাফাৰো চাফা পিন্ধি-উৰি তমস্কাৰটি হৈ ওলাইছাহি। এনেহেন ফুলবাবুটিক কেনেকৈনো কাম কৰিবলৈ কওঁ? ঠিক আছে, তুমি য'লৈ যাবলৈ ওলাইছা—যোৱা। মই নিজৰ কাম নিজেই কৰি ল'ম।" দয়ানিধিয়ে দাঙা-পাৰা কৰিলে।

তেওঁৰ কথাত ভূষণে বৰ দুখ পালে। ভূষণ তাৰ ঘৰলৈ উভতি গ'ল, চাফ-চিকুণ কাপোৰখিনি সলাই লেতেৰা হৈ থকা

কথালৈ একেবাৰে মনেই নকৰা হয়।

অৱশ্যে—দয়ানিধি পণ্ডিতৰ ওচৰলৈ সি যি একেবাৰেই নাযায়—কথা তেনেকুৱা নহয়। যায়। মাজে-মধ্যে যায়, সোধেগৈ যে—তাৰ পঠন-পাঠন ঠিক হৈছেনে নাই।

"শুনা, তুমি অতি বুদ্ধিমান। তুমি যদি মোৰ শিষ্য হোৱা, মই তোমাক মহাপণ্ডিত বনাই দিম।" দয়ানিধিয়ে কৈছিল।

ভুৱনে উত্তৰ দিছিল, "মহোদয়, আপুনি মহাপণ্ডিত, সূৰ্যৰ তাপেৰে মহাবলী হনুমন্তও মূৰ্ছিত হৈছিল, মইনো কোন কুটা? আপোনাৰপৰা জ্ঞান গ্ৰহণৰ লায়ক হ'ম যেতিয়া—তেতিয়া আহিম।"

এইদৰে, ভুৱন যেতিয়াই দয়ানিধি পণ্ডিতৰ কাষ চাপে, সি তেওঁলৈ নানান কথাৰে শলাগৰ শৰাই বঢ়ায়, আৰু দয়ানিধিয়েও তাক অধিকৰো অধিক ভাল পায়। দয়ানিধিপণ্ডিতে ভূষণক কয়, "হেৰাহে, তোমাৰ ল'ৰাটোৱে পঢ়িছে লিখিছে শিকিছে—হয়; কিন্তু সি তথাপি বহুতো কিবাকিবি যে নজনাকৈ আছে—সি-ও হয়। যেনে ধৰা—সি ডাঙৰক যথাৰৎ সন্মান নকৰে, ডাঙৰৰ ভৰি ছুই প্ৰণাম নকৰে—ইত্যাদি ইত্যাদি ঢেৰ দোষ আছে তাৰ।"

ভূষণে ক'লে, "আপুনি আমাৰ

কাপোৰখিনি পিন্ধি পুনৰ আহিল।

দয়ানিধিপণ্ডিতৰ কথাত ভূষণে বেজাৰ পায়, কিন্তু খং নকৰে। কাম-কাজৰ জগৰ ধৰা যে পণ্ডিতৰ স্বভাৱ—জানে ভূষণে। দয়ানিধি যে মস্ত ডাঙৰ পণ্ডিত—সেই কথা ভাবিয়েই ভূষণ মনে মনে থাকে।

ভূষণে তাৰ ল'ৰা ভুৱনক দয়াপণ্ডিতৰ ওচৰলৈ আহিবলৈ কৈছিল বিদ্যাশিক্ষাৰ কাৰণে; কিন্তু ভুৱনৰ সেই কথালৈ মনকাণেই নাই। ভুৱন আন এখন গাঁৱলৈ যায়, আৰু সেই গাঁৱৰ সাধাৰণ পণ্ডিত এগৰাকীৰপৰা শিক্ষাগ্ৰহণ কৰা হয়; কিন্তু দূৰৰ গংগা যে ওচৰতে আছে—সেই

সকলোটিৰেই নমস্য। তথাপি যদি সি তেনেকুৱা আওহেলা-অনিয়ায় কৰিছে, তাক দয়া কৰি সঠিক বাটেৰে চলাওক।"

"কেনেকৈ চলাম তাক? 'মোক ভৰিত ধৰি পণাম কৰাঁ বুলি ময়েই ক'মনে তাক? আৰু ডাঙৰক প্ৰণাম কৰিব লাগে, ডাঙৰৰ কুশল-মংগল সুধিব লাগে—এয়া অতি সাধাৰণ কথা, মই পণ্ডিতেনো শিকাবলগীয়ানে?" দয়ানিধিপণ্ডিতে দুখ মনেৰে ভূষণক ক'লে।

আৰু ক'লে ভূষণে তাৰ ল'ৰাটোক, "বোলোঁ ঐ—তোৰ কিবা সৰু-ডাঙৰ গিয়ানও নাইনে? দয়ানিধিপণ্ডিতক তই পণাম নকৰ কিয়? তেওঁৰ কুশল-মঙল নোসোধ কিয় ক'চোন?"

শুনি ভুৱনে হাঁহিলে।

ভূষণে পুনৰ ক'লে, "আগলৈ এনেবোৰ বেয়া আচৰণবোৰ নকৰিবি। নিজৰ দোষ নিজেই চেষ্টা কৰি শুধৰাই ল'বি।"

ভুৱনে শান্তকণ্ঠেৰে ক'লে, "মই কিছু পঢ়া-লিখা বুলিহে মোক দয়ানিধিপণ্ডিতে এই বিষয়ে কেতিয়াও একো কোৱা নাই। মই যে তেওঁক প্ৰণাম নকৰি কিবা দোষ কৰিছোঁ — মোক নকয় তেওঁ, কয় আপোনাক—।" এই বুলি কৈ ভুৱন ৰ'ল। তাৰ পাছত পুনৰ ক'লে, "দয়ানিধিপণ্ডিত হ'ল—সদায় সকলোতে সকলো কথাতে দুষণ-ধৰা পণ্ডিত। আনকি—তেওঁক দুষণ-ধাৰী'ও বুলিব পাৰি। মই তেওঁক প্ৰণাম কৰাহেঁতেনো তেওঁ মোৰ অন্য দোষ খুচৰি খুচৰি উলিয়ালেহেঁতেন।"

পুতেকৰ কথা যে ঠিক—ভূষণেও উপলব্ধি কৰিলে আৰু তাক আন একো নক'লে। পাণ্ডিত্য থকা সত্বেও যে এনেবোৰ পণ্ডিতে জগতৰ ভাল নেদেখি দেখে বেয়া, ধুৰুপেই সেয়া। গতিকে—ভুৱনে দয়ানিধিক 'দু ষ ণ ধা ৰী' বুলি কোৱাটো সঠিক যেনেই লাগিছে।

খণ্ডৰ ৰং ৰঙ্গ

পৈৰামপুৰত পৰশুৰাম নামৰ এজন চহকী খেতিয়ক আছিল। পুৰাণ-পুৰুষ পৰশুৰামৰ দৰেই এই পৰশুৰামও আছিল অতি ক্ৰোধী স্বভাৱৰ।

এবাৰ তেওঁৰ বন্ধু এজন তেওঁৰ ঘৰলৈ আহিল এখন ঘোঁৰাই টনা গাড়ীত উঠি। গাড়ীৰপৰা নামি তেওঁ কচোৱানক পাঁচ টকা দিলে আৰু কোচোৱানেও লগে লগে গাড়ীখন চলাই দিলে। কিন্তু পৰশুৱে কচোৱানক ৰখালে আৰু ক'লে, "কি হে—? চহৰৰপৰা আমাৰ ইয়ালৈ ভাড়া হ'ল—দুটকা। তুমি এওঁৰপৰা পাঁচ টকা ল'লা কেলেই? তিনি টকা ঘূৰাই দিয়া।"

কচোৱানে ক'লে, "হুজুৰ, এওঁ আন কেইবাজনো গাড়ীৱলাৰ লগত দৰ-দাম কৰাৰ পাছতহে মোৰ গাড়ীখন লৈছিল।"

"তাৰ মানে — তো মা লো কে— কচোৱানবিলাকে একগোট হৈ ফন্দী কৰি যাত্ৰীক ফান্দত পেলোৱাৰ বুধি কৰিছা। যি হওক-বা হওক — আমাৰ ইয়াত সেইবোৰ নচলিব।" কই বুলি কৈয়েই পৰশুৱামে কচোৱানৰ হাতৰপৰা পাঁচটকীয়াখন লৈ ল'লে আৰু দুটা টকা তাৰ গাড়ীখনলৈ দলিয়াই দিলে।

কচোৱানে অতি নম্ৰভাৱে ক'লে, "হুজুৰ, আপোনালোক ডাঙৰ মানুহ—ডাঙৰেই যদি এনেকুৱা কৰে সৰুৱে বৰ্তিব কিমতে? ডাঙৰে এইবোৰ কৰা উচিত নহয়।"

শুনি পৰশুৰ খঙে চুলিৰ আগ পালেগৈ। তেওঁৰ হিতাহিত জ্ঞান লুপ্ত হওঁ হওঁ হ'ল। তেওঁ তীক্ষ্ণ কণ্ঠেৰে কচোৱানক ক'লে, "তোমাৰ ইমানেই সাহস হ'লনে যে—"

অনন্ত ভুঞা

মোক উচিত-অনুচিত শিকাইছা! চুপচাপ গুচি যোৱা, যদি আৰু এটা শব্দো মুখৰপৰা উলিয়াইছা, মোৰ চিকাৰী কুকুৰবিলাকক তোমাৰ আৰু তোমাৰ ঘোঁৰাবিলাকৰ ওপৰতো মেলি দিম—তেতিয়া উচিত-অনুচিতৰ মজা পাবা।"

ভয় খাই কচোৱানটোৱে তাৰ গাড়ীখন চলাই উধা-মুধাকৈ গুচি গ'ল।

নিৰ্বাক দৰ্শকৰ দৰে কথা-কাণ্ড চাই থকা বন্ধু মুকুন্দই পৰশুক ক'লে, "পৰশুৰাম, তোমাৰ খং কিন্তু বৰ উগ্ৰ হ'ল. সৰুসুৰা কথাতো ইমান খং কৰিব নাপায় নহয়—? খং নামে যে চণ্ডাল—জানাই। গতিকে—খং-ৰাগ প্ৰশমিত কৰাৰ চেষ্টা কৰাটোহে কথা। খঙে মানুহক অন্ধ কৰে, ভাল-বেয়া পাহৰাই দিয়ে, মুখৰপৰা যে কি ওলায়—তাকো বুজি নোপোৱা হয়, আনক অনাহকতো দুখ দিয়া হয়। থোৰতে ইয়াকে ক'ব পাৰি যে—বেয়া নাপাবা—সঁচাকে কওঁ—খঙে কেতিয়াবা মানুহক হিংস্ৰ পশুৰ স্তৰলৈকো নমাই আনে।"

বন্ধু মুকুন্দৰ বচন শুনি পৰশুৰামে হোহোকৰে হাঁহিলে আৰু ক'লে, "মুকুন্দ, মই ইমানকণ কথাও নাজানো বুলি ভাবিছানে? আচল কথা কি জানা—তুমি খঙৰ বিষয়ে যিমান যি ক'লা—সেইচব হ'ল—দুখীয়াহঁতৰ কাৰণে। খঙে দুখীয়াহঁতৰ অনিষ্ট কৰিব পাৰিলেও—

আমাৰ অনিষ্ট কৰিব নোৱাৰে, বৰঞ্চ লাভেই যে হয়—তাৰ দেখ দেখ প্ৰমাণ—সৌৱা চোৰা, সি বেটা কচোৱানে দুটা টকাও বাটৰ ওপৰতে এৰি থৈ গাড়ীখন লৈ পলাই সাৰিল মোৰ খঙৰপৰা। মই—দৈনন্দিন জীৱনতো খঙৰ উপকাৰিতাহে দেখি আহিছোঁ। খঙাল বুলি জানিলে চাকৰ-নাকৰবিলাকেও চুপচাপ মনপুতি কাম কৰে, আনকি ঘৰখনতো শান্তিৰ বা' বলি থাকে। তুমিয়ে ভাবাচোন—খঙৰ উপকাৰিতাও আছেনে নাই? ধনিকৰ খঙে দুখীয়াইঁতৰ ওপৰত এক আচৰিত ফল দৰ্শায়। সেই কাৰণে--খং সৰাত মই নাই। এতিয়া কোৱা—খং-ৰাগ দেখিহে সকলো পাহৰি প্ৰাণ লৈ পলাল। কিন্তু তোমাৰ নিচিনা খং নথকাইঁতক পায় যদি সিইঁতে— তেতিয়া সিইঁতেই হৈ উঠিব তোমালোকৰ ওপৰত শলাল। —হয়নে নহয়?" পৰশুৰাম ৰ'ল।

"তোমাৰ কথাত—একেবাৰে যুক্তি নাই বুলি নকওঁ। কিন্তু তথাপি—" হঠাৎ কিবা এটা কথা মনত পৰাত বন্ধু মুকুন্দই যেনিবা চঁক খাই উঠিল।

পৰশুৰামে 'কি হ'ল' বুলি সোধাত মুকুন্দই লাহেকৈ ক'লে, "গাড়ীত মই যে মোনাটো থৈ দিছিলোঁ—সেই মোনাটোৰ কথা পাহৰিয়েই থাকিলোঁ। মোনাটোত আছিল কেইপদমান সোণৰ গহনা. যিখিনি তুমি মোক যোৱাবাৰত আনিব লৈ কৈছিলা। অন্ততপক্ষে — এই ক্ষেত্ৰত দেখিছোঁ—ডাঙৰৰ খঙেৰে সৰুৰ লাভ হ'ল। আৰু খঙত ৰঙা পৰাত আমাৰ হ'ল সৰ্বনাশ! তোমাৰ ইমান উগ্ৰ ৰঙা ৰঙৰ জুইহেন খং মুঠাইছেঁতেন, এনে অথন্তৰ নিশ্চয় নঘটিলহেঁতেন।"

শুনি পৰশুৰামৰ মুখৰ মাত হৰিল, মুখত কোবোৱা দমৰাহেন হৈ পৰিল। যদিও—তেওঁৰ আকৌ খং উঠিল।



মহাভাৰত

৫

ভীষ্মৰ কথাত লাজ পোৱা যেন হৈ সত্যৱতীয়ে নিজৰ কাহিনী ভীষ্মক ক'লে। তেওঁ ক'লে যে—তেওঁ যেতিয়া নাৱেৰে যাত্ৰী পাৰাপাৰ কৰিছিল, তেতিয়া পৰাশৰ মহাৰ্ষিৰদ্বাৰা তেওঁ কৃষ্ণদ্বৈপায়ণৰ মাতৃত্ব লাভ কৰিছিল। তেওঁ ক'লে, "সেইৰূপে জন্মপ্ৰাপ্ত মোৰ পুত্ৰই কঠোৰ তপস্যাৰদ্বাৰা বৰপ্ৰাপ্ত হৈছিল আৰু তাৰদ্বাৰাই এই ভৰতবংশক চিৰযুগমীয়া কৰিব পৰা হ'ব।"

ভীষ্ময়ো সত্যৱতীৰ এই প্ৰস্তাৱত সন্মতি দিলে।

সত্যৱতীয়ে ধ্যানমগ্ন হৈ কৃষ্ণদ্বৈপায়ণ নামক ব্যাসক স্মঁৰৰিলে, কৃষ্ণদ্বৈপায়ণে তৎক্ষণাৎ প্ৰত্যক্ষ হৈ সুধিলেহি, "মাতা, মোক স্মুঁৰিছা কিয় ?"

সত্যৱতীয়ে তেওঁৰ উদ্দেশ্যৰ কথা কোৱাৰ অন্তত মন্তব্য কৰিলে, "মোৰ পুত্ৰদ্বয় যে স্বৰ্গবাসী হ'ল, জানাই। ভীষ্মৰ প্ৰতিজ্ঞাৰ কথাও অজানিত নহয় যে—তেওঁ আজন্মকাল ব্ৰহ্মচাৰী হৈ অতিবাহিত কৰিব। ইপিনে—সিংহাসনত অধিষ্ঠিত হ'ব পৰা মোৰ কোনো নাই। তেনেহ'লে—ভৰতবংশৰ কি ইয়াতেই সমাপ্তি হ'ব ? —এই কাৰণেই তোমাক স্মুঁৰৰিছোঁ।"

তেতিয়া কৃষ্ণদ্বৈপায়ণ আৰু সত্যৱতীয়ে অম্বিকাক ক'লে, "তুমি সাজি-কাচি নিজ কক্ষত প্ৰতীক্ষা কৰি থাকাগৈ। তাত তোমাৰ ভিনিহিদেউৰা আহিব আৰু তেওঁৰ

'গান্ধাৰীৰ শতপুত্ৰ লাভ'



ঔৰসত তোমাৰ গৰ্ভত যি সন্তান হ'ব—সেই সন্তানৰদ্বাৰা ভৰতবংশ মংগলকৰ ৰূপে ৰক্ষা পৰিব।"

*

অম্বিকাই ভিনিহিয়েকৰ অৰ্থে ভীষ্মৰ কথাহে ভাবিছিল, কিন্তু ৰাতিৰ পৰতে তাইৰ কক্ষলৈ আহিল বগাচুলীয়া-বগাদাড়ীয়া বৃদ্ধ ব্যাস। ব্যাসক দেখামাত্ৰেই তাই চকুযুৰি মুদি দিলে। আৰু সেই কাৰণেই—বৃদ্ধ ব্যাসৰ ঔৰসত অম্বিকাৰ গৰ্ভত জন্মান্ধ ধৃতৰাষ্ট্ৰৰ জন্ম হৈছিল।

তাৰ পাছত এদিন সত্যৱতীয়ে অম্বালিকাক ক'লে, "আজি ৰাতিৰ পৰতে এজন মুনি তোমাৰ কক্ষলৈ যাব। আমাৰ বংশৰক্ষাৰ কাৰণে তেওঁৰ ঔৰসত পুত্ৰ গ্ৰহণ কৰিবা।"

সেই বুঢ়া ব্যাসৰ আকাৰ-প্ৰকাৰ দেখি অম্বালিকাই ভীতিৰে চকু নুমুদিলে, কিন্তু পাণ্ডুবৰ্ণ হ'ল অৰ্থাৎ শেঁতা পৰিল। আৰু তাৰ ফলত অম্বালিকাৰ গৰ্ভত জন্ম হ'ল যিজনৰ—সেইজনৰ নাম পাণ্ডু।

কিন্তু পাণ্ডু জন্ম লভাতো সত্যৱতী তুষ্টা নহ'ল। তেওঁ অম্বালিকাক পুনৰ ক'লে, "অম্বালিকা, অতি সুশ্ৰী-স্বাস্থ্যৱান পুত্ৰ এটি জন্ম দিব লাগে।"

ব্যাসৰ কথা মনত পৰাৰ লগে লগে অম্বালিকাৰ মন-প্ৰাণ ঘৃণাৰে কোঁচ খাই পৰিল। পুনৰ বুঢ়া ব্যাসৰ সৈতে মিলনৰ কথা তাই কল্পনাও কৰিব নোৱাৰিলে। আৰু এই কাৰণেই, সেই নিশা তাই তাইৰ কক্ষত লিগিৰী এজনীক সজাই-পৰাই শয্যাত শোৱাই থৈ নিজে কক্ষৰপৰা ওলাই গ'ল।

বুঢ়া ব্যাসে সেই লিগিৰীজনীৰ গৰ্ভত যিটি পুত্ৰ-সন্তান দিলে—সেইটি পুত্ৰৰ নামেই আছিল—বিদুৰ।

এইদৰে, ধৃতৰাষ্ট্ৰ, পাণ্ডু আৰু বিদুৰ যেতিয়া ডাঙৰ হ'ল, তেতিয়া ভীষ্মৰ আগত এক মহা সমস্যাই মূৰ দাঙিলে—এতিয়া

কাক ৰজা পতা হ'ব। ভীষ্মই তিনিওকে ক্ষত্রিয় বিদ্যা শিক্ষা দিছিল আৰু নীতিশাস্ত্রতো সুপণ্ডিত কৰি তুলিছিল।

তিনিওজনৰ মাজত ধৃতৰাষ্ট্র আছিল বলশালী, পাণ্ডু আছিল ধনুর্বিদ্যাবিদ আৰু বিদুৰ ধৰ্মশাস্ত্রত প্রাজ্ঞ। ভীষ্মই ভাবিলে : জ্যেষ্ঠ ধৃতৰাষ্ট্র অন্ধ, বিদুৰ দাসী-পুত্র, গতিকে—পাণ্ডুৰেই হ'ব যোগ্য ৰজা। ভীষ্মই বহু চিন্তাৰ অন্তত পাণ্ডুক সিংহাসনত অধিষ্ঠিত কৰিলে।

তাৰ পাছত—বিবাহৰ কথা। তিনিও জনেই বিবাহযোগ্য। কিন্তু যোগ্য কন্যা ক'ত পোৱা যাব?

গান্ধাৰ-ৰাজ সুবলৰ কন্যাৰ নাম আছিল গান্ধাৰী। গান্ধাৰীয়ে শিৱৰপৰা শতপুত্রৰ জননী হোৱাৰ বৰ লভিছিল বুলি ভীষ্মই জ্ঞাত আছিল।

ভীষ্মই মহাৰাজ সুবলৰ ওচৰলৈ কিছুমান ব্রাহ্মণক প্রেৰণ কৰিলে ধৃতৰাষ্ট্রৰ বিবাহার্থে গান্ধাৰীক দিবলৈ।

ধৃতৰাষ্ট্রক জন্মান্ধ বুলি জানিও মহাৰাজ সুবলে এই প্রস্তাৱত সম্মতি জ্ঞাপন কৰিলে। ইমান ডাঙৰ বংশত কন্যাদান—গৌৰৱৰ বিষয় বুলি বিবেচনা কৰিলে।

বিবাহৰ আগতেই কথাটো গান্ধাৰীয়ে জানিলে, জানিলে যে স্বামী জন্ম-অন্ধ।



তেতিয়া তেওঁ তেওঁৰ নিজৰ চকুযুৰিও কাপোৰেৰে ঢাকি ল'ব বুলি মনস্থ কৰিলে। স্বামী যদি অন্ধ—তেওঁনো চক্ষুমান হৈ থাকিব কিয়? স্বামীৰ দুঃখ-সুখ, তেওঁৰো। আৰু—ইমান ডাঙৰ ৰাজবংশত যে তেওঁৰ বিবাহ হ'ব—এই কথাতে গান্ধাৰী গাত বিহু বিহু লাগিল। গান্ধাৰীৰ ককায়েক শকুনিয়ে ভনীয়েকক হস্তিনাপুৰলৈ লৈ গ'ল আৰু তাতেই বিয়াখনো পতা হ'ল।

এতিয়া—পাণ্ডুৰ বিবাহ-সমস্যাই মূৰ দাঙি উঠিল।

কুন্তী নামৰ যাদৱ কন্যাৰ কথা ভীষ্মই আগৰেপৰাই জানিছিল। 'শূৰ' আছিল যাদৱ-জাতিৰ অন্যতম মুখিয়াল। তেওঁ আছিল বসুদেৱৰ পিতৃ। পৃথা নামৰে তেওঁৰ এজনী পুত্ৰী আছিল।

শূৰৰ পেহীয়েকৰ ল'ৰা আছিল। কুন্তিভোজ। কুন্তিভোজৰ কোনো সন্তানাদি নাছিল। তেওঁ পৃথাকে নিজৰ কৰি ল'লে। কুন্তিভোজৰ গৃহলৈ আহা-যোৱা কৰাইঁতক পৃথায়েই আপ্যায়ন কৰিছিল।

এবাৰ দুৰ্বাসা মুনি কুন্তিভোজৰ গৃহলৈ আহিল। তেওঁ পৃথাৰ আপ্যায়ন তথা সেৱা-যত্নেৰে পৰম প্ৰীত হ'ল আৰু এযাৰ মন্ত্ৰ মাতি ক'লে, "পুত্ৰী, এই মন্ত্ৰোচ্চাৰণেৰে যিজনা ঈশ্বৰক দৰ্শন কামনা কৰিবা, দৰ্শন পাবা। এই ঈশ্বৰ হ'ব প্ৰত্যক্ষ ঈশ্বৰ আৰু তেওঁ তোমাক উত্তম পুত্ৰ প্ৰদান কৰিব।"

এদিন এই মন্ত্ৰৰ পৰীক্ষা ল'বৰ মন গ'ল কুন্তীৰ। সূৰ্যক সুঁৰৰি তেওঁ মাত্ৰ মাতিলে আৰু লগে লগে সূৰ্য্য প্ৰত্যক্ষিত হ'ল। যদিও কুন্তীয়ে সূৰ্য্যৰপৰা পুত্ৰ-কামনা কৰা নাছিল, তথাপি কুন্তী গৰ্ভৱতী হ'ল। কৱ-কুণ্ডলৰে সৈতে কুন্তীৰ এটি পুত্ৰসন্তান উপজিল, কুন্তী হ'ল কুমাৰী-মাতা। এয়া আছিল ধৰ্ম-বিৰুদ্ধ, সেইহে কুন্তীয়ে এই শিশুক এটি পেটাৰিত ভৰাই নৈৰ সোঁতত উটুৱাই দিলে।



এই পেটাৰিটি পালে এজন সূতই। সূৰ্য্যসম সুউজ্জ্বল শিশু এটিক পাই তেওঁ মহা আনন্দিত হ'ল, আৰু তেওঁ তেওঁৰ পত্নী ৰাধাক এই শিশুটি অৰ্পণ কৰিলে। ৰাধাই শিশুটিক পৰম যত্নৰে লালন-পালন কৰিলে। এই শিশুৰেই আছিল—কৰ্ণ।

এই ঘটনাৰ অন্তত কুন্তিভোজে তেওঁৰ কন্যাৰ স্বয়ম্বৰ পাতিলে। সেই স্বয়ম্বৰ-সভাত পাণ্ডুও উপস্থিত আছিল। কুৰুবংশীয় অতি সুন্দৰ যুৱা পাণ্ডুৰ গলতে কুন্তীয়ে বৰমালা প্ৰদান কৰিলে।

কুন্তিভোজে কন্যা কুন্তীৰ বিবাহ অতি সমাৰোহৰে সম্পন্ন কৰিলে। কুন্তীক অপাৰ ঐশ্বৰ্য্যৰে তেওঁ হস্তিনাপুৰলৈ প্ৰেৰণ কৰিলে।

কিন্তু ভীষ্মই পাণ্ডুক আন এজনী কন্যাৰ সৈতে সাঙুৰিবৰ চিন্তা কৰিছিল মদ্ৰৰাজ শল্যৰ ভনীয়েকৰ লগত। ভীষ্ম মদ্ৰৰাজ শল্যৰ ৰাজধানীলৈ গ'ল।

*

শল্যই ভীষ্মক যথোচিতভাবে আদৰিলে আৰু তেওঁৰ আগমনৰ কাৰণ সুধিলে। ভীষ্মই শল্যৰ ভনীয়েকক পাণ্ডুৰ কাৰণে বিচৰাত শল্যই সানন্দে ক'লে, "ইয়াতকৈ অধিক আমাক আকনো কি লাগিছে? কিন্তু আমাৰ আচাৰ অনুসাৰে—কন্যাপণ দিব লাগিব।"

ভীষ্মই স্বৰ্ণ-ৰৌপ্য-ৰত্নৰাজি-আৰু বস্ত্ৰ বাহনাদি জোখে-জোখাৰে প্ৰদান কৰি মাদ্ৰিক হস্তিনাপুৰলৈ লৈ আহিল, পাণ্ডুৰ দ্বিতীয় পত্নীৰূপে বিবাহ-অনুষ্ঠান কৰিলে আৰু পৰম প্ৰীত পাণ্ডুৱে তেওঁৰ দুজনী পত্নীৰে সৈতে পৰম সুখৰে জীৱন অতিবাহন কৰিবলৈ ধৰিলে।

কিছুদিনৰ অন্তত পাণ্ডুৱে দিগ্বিজয় কৰাৰ বাবে যাত্ৰা কৰিবলৈ মনস্থ কৰিলে আৰু এই বিষয়ে যথোচিত আয়োজনান্তে ভীষ্ম, ব্ৰাহ্মণাদিৰ আশীৰ্বাদ শিৰত লৈ এদিন ৰাওনা কৰিলে।

পাণ্ডুৱে প্ৰথমতে দশাৰ্ণদেশ আৰু পাছত মগধ, কাশী আদি দেশ বিজয় কৰিলে আৰু প্ৰচুৰ ধন ঐশ্বৰ্য্যাদিৰে পুনৰ হস্তিনাপুৰলৈ প্ৰত্যাৱৰ্তন কৰিলে।

ভীষ্ম আৰু অন্যান্যয়ো পাণ্ডুক যথাবিধি আদৰিলে আৰু পাণ্ডুৱে বিভিন্ন দেশৰপৰা লৈ অহা ঐশ্বৰ্য্যাদি ভীষ্ম, সত্যৱতী, বিদুৰ প্ৰমুখক প্ৰদান কৰিলে। এই ধন-ঐশ্বৰ্য্যৰেই ধৃতৰাষ্ট্ৰই অনেক অশ্বমেধ যজ্ঞ পাতিছিল।

এদিন পাণ্ডুৱে তেওঁৰ পত্নী দুজনীৰে সৈতে অৰণ্য-বিহাৰলৈ ওলাল। এওঁলোকৰ বাবে সকলো আৱশ্যকীয় সামগ্ৰী ধৃতৰাষ্ট্ৰই হস্তিনাপুৰৰপৰা প্ৰেৰণ কৰিছিল।

ভীষ্মই ইতিমধ্যে দেৱক নামৰ ৰজাৰ পুত্ৰীৰ সৈতে বিদুৰৰ বিবাহ পাতিছিল।

এদিন ব্যাস ধৃতৰাষ্ট্ৰৰ ঘৰলৈ আহিল। ব্যাস তেতিয়া অতি ক্ষুধাৰ্ত হৈ আছিল। গান্ধাৰীয়ে অতিথি-সৎকাৰ কৰিলে।

গান্ধাৰীৰ অতিথি-সেৱাৰে প্ৰসন্ন ব্যাসে ক'লে, "কোৱাঁ, তোমাক কি লাগে।"

গান্ধাৰীয়ে পুত্ৰ-কামনা কৰাত ব্যাসে 'তথাস্তু' বুলি ক'লে। গান্ধাৰী গৰ্ভৱতী হ'ল। এই গৰ্ভাধান গান্ধাৰীয়ে দুই বছৰলৈকে কঢ়িয়াই থকাতো যেতিয়া কোনো সন্তান নোপজিল, আৰু ইতিমধ্যে কুন্তী যুধিষ্ঠিৰ নামৰ পুত্ৰ এটিৰ মাতৃ হ'ল— তেতিয়া আৰু সহিব নোৱাৰি ধৈৰযহীনা



গান্ধাৰীয়ে নিজৰ গৰ্ভস্থানত সজোৰে প্ৰহাৰ কৰাত গৰ্ভ বিনষ্ট হৈ গ'ল।

ব্যাসে যেতিয়া এই কথা জানিলে, তেতিয়া গান্ধাৰীক সুধিলেগৈ যে এনেহেন অন্যায় কাৰ্য্য কিয় কৰিলে গান্ধাৰীয়ে।

গান্ধাৰীয়ে তেওঁৰ দুখৰ কথা বিনম্ৰ ভাবে বিলাপ কৰি কোৱাৰ অন্তত ব্যাসে ক'লে, "মোৰ বৰদান কদাপি ব্যৰ্থ নহ'ব।"

এই বুলি, গান্ধাৰীৰ নষ্ট হোৱা গৰ্ভৰপৰা ওলোৱা এশ টুকুৰা মাংসপিণ্ড ঘিউৰে পূৰ্ণ এশটি ক্ষুদ্ৰ ক্ষুদ্ৰ কলহৰ ভিতৰত ভৰাই থ'লে তেওঁ।

তেতিয়া গান্ধাৰীয়ে বৃদ্ধ ব্যাসক ক'লে, "এশ কলহৰপৰ এশ-পুত্ৰ উপজিব বুলি মোৰ বিশ্বাস হৈছে। হে মহাত্মা! একে লগেই এজনী কন্যাসন্তানৰ বাবেও মোক আপুনি বৰ দিয়ক।"

ব্যাসে গান্ধাৰীক এই বৰও প্ৰদান কৰিলে আৰু তাৰপৰা খোজ ল'লে।

এবছৰৰ অন্তত প্ৰথম পুত্ৰটি হ'ল।

কিন্তু এই ঘটনাত ধৃতৰাষ্ট্ৰ বিচলিত হ'ল যেতিয়া, শুভাশুভ বিচাৰকাৰী ভৱিষ্যৎ প্ৰবক্তাই ধৃতৰাষ্ট্ৰক ক'লে, "মহাৰাজ, এই পুত্ৰ দুৰ্লক্ষণৰে সৈতে জনম লৈছে। ই বংশ-বিনাশক হ'ব। শত পুত্ৰৰ এক পুত্ৰ নাথাকিলেনো ক্ষতি কি?"

বিদুৰেও ভবা-গুণাৰ অন্তত এই একেই কথা দৃঢ়তাৰে ব্যক্ত কৰিলে।

এই পুত্ৰটিয়েই আছিল—দুৰ্য্যোধন।

তাৰ পাছত কলহৰপৰা একাদিক্ৰমে দুঃশাসন আদি পুত্ৰসৱ আৰু দুঃশলা নামৰ পুত্ৰী উপজিল।

গান্ধাৰীৰ গৰ্ভৱতী হৈ থকা কালত ধৃতৰাষ্ট্ৰই তেওঁৰ সেৱাৰ্থে এজনী বেশ্যা-নাৰীক ৰাখিছিল। এই বেশ্যানাৰীৰ গৰ্ভত উপজিছিল যুযুৎসু নামৰ পুত্ৰ।

আৰু আগলৈ দুৰ্য্যোধন হ'বগৈ এই শতপুত্ৰৰ অবিসম্বাদী নেতা। [আগলৈ

দাতা-কঢ়া-বিধাতা

মাধৱ আছিল দানী, উদাৰচিতীয়া আৰু ভদ্ৰ। তাৰ পত্নী মাধৱীও একেই স্বভাৱৰ। কিন্তু মাধৱৰ 'আয়-উপায়' বোলা একো নাই। গতিকে — দাতা-কঢ়া বিধাতা হোৱাৰ বিপদেও মূৰ দাঙিবৰ হ'ল, পিতৃ-সম্পত্তিয়ে নোহোৱা হ'বৰ বাট ল'লে।

মাধৱে এই বিপদৰ কথা নুবুজা নহয়; কিন্তু কি যে কৰিব—কেনেকৈ যে দহ-টকীয়া হ'ব— ভাবি ভাবি পাৰ-কূল নাপাই এদিন ঘৰত থকা কুঠাৰখন কান্ধত লৈ হাবিলৈ গৈ খৰি কাটি দমাবলৈ ধৰিলে। যেতিয়া খৰিৰ দ'মটো মূৰত উঠাই লৈ বজাৰলৈ বুলি খোজ ল'লে, ঠিক তেতিয়াই এজন দুখীয়াই ক'লেহি, "ডাঙৰীয়া, মোৰ পৰিবাৰ ঢুকাল। কিন্তু খৰি কিনিব-লগীয়া পইচাও নাই। দয়া কৰি যদি এই খৰিখিনি দিয়ে—ধৰুৱা হৈ থাকিম।"

দতা-কঢ়া-বিধাতা মাধৱে 'নিদিওঁ' বুলি ক'ব পাৰেনে? নোৱাৰে। খৰিখিনি দুখীয়া মানুহজনক দিলে

ঘৰলৈ উভতি আহি বেজাৰ মুখেৰে মাধৱে মাধৱীক ক'লে; "যি দেখিছোঁ— কোনো উপায় নাই। আয়-উপাৰ্জনৰ কোনো পথ নাই। গতিকে—আত্মঘাতী হোৱাটোহে একমাত্ৰ পথ।"

মাধৱীয়ে গি ৰি য়ে ক ক ক'লে, "দেউতাই ঢুকোৱাৰ আগে আগে আমাক কি কৈছিল — পাহৰিলেইনে? তেওঁ কৈছিল—মুখ দিছে যেইজনে আহাৰো যোগাব সেইজনে।"

মাত্ৰ সিমানেই নহয়, মাধৱৰ মনত পৰিল মৃত্যুমুখী দেউতাকৰ সেই কথাখিনি।

তুলসী লহকৰ

তেওঁ কৈছিল, "যদি কেতিয়াবা দুৰ্ঘোৰ বিপদত পৰি আত্মঘাতী হোৱাৰ মন যায়, গা-পা ধুই ভগৱানৰ পূজা কৰি মোক সুঁৱৰিবা, আৰু লগে লগে ঘৰৰ দুৱাৰত এজন মগনিয়াৰক দেখা পাবা।" আৰু সেই মগনিয়াৰে যি খুজিব, দিবা।

মাধৰীয়ে দেউতাকৰ কথা-সোঁৱৰাই দিয়াত—পাছদিনা ধল-পুৱাতে মাধৱে গা ধুই, ভগৱানৰ পূজা কৰি, দেউতাকক সোঁৱৰাৰ লগে লগেই বাহিৰত কোনোবাই কৈ উঠিল, "অ' আই—ভিক্ষা দিয়া, এমুঠি চাউল দিয়া মোক।"

মাধৰীয়ে মগনিয়াৰটোক চাউল এমুঠি দিলে। চাউল মাত্ৰ সিমানেই আছিল।

মগনিয়াৰটোৱে ক'লে, "আই, কমেও এটা চাউল পাত্ৰটোত থৈ দিয়া, সেই চাউলটিয়েই অক্ষয়-চাউল হ'ব।"

মাধৰীয়ে তাকেই কৰিলে। এটা মাত্ৰ চাউল চাউলৰ পাত্ৰটোত থৈ দিলে। আৰু লগে লগে পাত্ৰটো চাউলেৰে ভৰি পৰিল।

সেই দিনৰপৰা মাধৱ-মাধৰী নিশ্চিন্ত মনেৰে সুখে-সন্তোষেৰে জীৱন কটাবলৈ ধৰিলে আৰু দান-ধৰ্মও বজায় থাকিল।

সেই মগনিয়াৰজন সেই যে গ'ল—আৰু এদিনলৈকো নাহিল। কোননো সেই মগনিয়াৰজন? কোনো দেৱতানে? কিন্তু মগনিয়াৰজন একেবাৰেই নহা হ'ল, মাধৰীৰো আশা সুপুৰিল।

কিছুদিনৰ পাছত মাধৱ-মাধৰী বিয়া খাবলৈ গ'ল চহৰলৈ। বিয়াৰ ভোজৰ অন্তত দৰিদ্ৰ-নাৰায়ণ-সেৱা। অন্নদান। বহু সংখ্যক ভিখাৰী খাবলৈ বহিল। হঠাৎ মাধৰীৰ দৃষ্টি পৰিল এজনৰ ওপৰলৈ। ঠিক সেইজনেই, সেই মগনিয়ৰ!

মাধৰীয়ে গৃহস্থক ক'লে যে খোৱা-বোৱাৰ অন্তত জেকইজন খাওঁতাক তাইৰ ওচৰলৈ লৈ আহিব লাগে।

কিন্তু খোৱা-বোৱাৰ অন্তত সেই ভিখাৰী খাওঁতাজনক কোৱা সত্ত্বেও মাধৰীৰ

ওচৰলৈ আহিল, হাত ধুই মুখ ধুই গৈ থাকিল।

মাধৱ-মাধৱী ভিখাৰীজনৰ পিছে পিছে গ'ল। তিমানতে সেই ভিখাৰীজনে আন এঘৰত ভিক্ষা খুজি ঘৰৰ আগত ৰৈ আছিল।

আৰু তিমানতে মাধৱ-মাধৱীও ভিখাৰী জনৰ কাষ পাইছিলহি।

মাধৱীয়ে ভিখাৰীজনক ক'লে, "হে মহাত্মা, আপুনি নিশ্চয় সাধাৰণ মানুহ নহয়। আপোনাৰ মহিমাৰেই আমি সুখে সন্তোষেৰে আছোঁ, দান-ধৰ্মও কৰিছোঁ। কিন্তু হে মহাত্মা! আপুনি যে কিয় ঘৰে ঘৰে ভিক্ষা কৰি ফুৰিছে—সেই কথা আমি একেবাৰেই বুজানাই। আপোনাৰ ভিক্ষাৰ প্ৰয়োজন কি? নালাগে ভিক্ষা কৰিব, আপুনি আমাৰ লগতে আমাৰ ঘৰতে থাকিব।"

ভিখাৰীজনে ক'লে, "সেই ভাগ্য মোৰ নাই—নহ'ব মই যদি শুই-বহি কাল কটাওঁ—মোৰ বোলা একোৱেই আৰু নাথাকিব। আৰু —মোৰ বোলাখিনি তোমালোকৰ ঘৰতে অক্ষয় হৈ আছে।"

মাধৱে উচপ খাই উঠি ক'লে, "তাৰ মানে—আমাৰ কাৰণেই আপুনি ঘৰে ঘৰে ভিক্ষা কৰি ফুৰিছেনে—?"



"এই কথাত আচৰিত হ'বলগীয়া একো নাই যে—মোৰ এই ৰূপত মোক তোমালোকে চিনি নাপাবা।ময়েই তোমালোকৰ দুৰ্ভগীয়া পিতাৰ।" ভিখাৰীজনে ক'লে।

মুহূৰ্ত্তে পো-বোৱাৰীয়ে তেওঁক চিনি পালে আৰু দীঘল দি পৰি ভৰি ছুই প্ৰণাম কৰিলে।

ভিখাৰীৰূপী দেউতাকে দুয়োকো ক'লে, "এতিয়ালৈকো মই আছোঁ, তোমালোকৰ অসুবিধা হ'বলৈ নিদিওঁ। ঘৰলৈ যোৱা আৰু আনন্দৰে থাকাঁ।"

মাধৱ আৰু মাধৱীয়ে যেতিয়া তেওঁক

ঘৰলৈ যাবলৈ টানি ক'লে, তেতিয়া ভিখাৰীৰূপী দেউতাকে ক'লে, "মই যে মৃত—তোমালোকে পাহৰিলাইনে?"

"হ'ল কি হ'ল—" মাধৱীয়ে কৈ উঠিল, "আপুনি আমাৰ কাৰণেই পুনৰ মানৱ-জনম লোৱা নাইনে?"

মাধৱীৰ পিনে পুতৌসনা দৃষ্টিৰে চাই ভিখাৰীৰূপী পিতাকে ক'লে, "মৃত মানুহৰ মাজত যদি কোনো ইচ্ছা নাথাকে—যদি কোনো প্ৰকাৰৰ কামনা-বাসনা নাথাকে, চিন্তা নাথাকে—ভগৱানে আশ্ৰয় দিয়ে। তোমালোকৰ ঘৰত থকা মোৰ চিত্ৰতে মই আছোঁ, সোঁশৰীৰে যাব নোৱাৰোঁ, যোৱাৰ দৰ্কাৰো নাই। শুনা, দান-ধৰ্মৰ ইচ্ছা বৰ সজ বৰ সুন্দৰ ইচ্ছা। কিন্তু যদি কেৱল আনৰ শ্ৰমেৰে উপাৰ্জিতখিনি দান কৰি থাকা — তেনেহ'লেনো সেই দান কিমান দিন? গতিকে—তোমালোকৰ দান-ধৰ্ম বজায় ৰাখিবলৈকো মোৰ দুৱাৰে দুৱাৰে ভিক্ষাৰ প্ৰয়োজন হৈছে। আৰু—তোমালোকৰ ঘৰত থকা সম্ভৱ নহয়, কিয়নো ই হ'ল প্ৰকৃতিবিৰুদ্ধ কথা।" এই বুলি কৈয়েই সেই ভিখাৰীজন নিমিষতে তাৰপা নোহোৱা হ'ল।

বিস্মিত-স্তম্ভিত মাধৱে মাধৱীক ক'লে, "দেউতাই ঠিকেই কৈছে। আজিহে বুজিলোঁ যে—মই নিজে দান-ধৰ্ম কৰা নাই, আচলতে ধোঁৱাখুলীয়াৰ দৰে বাপতিসাহোন উৰাইছোঁহে। আজিৰে-পৰাই—আগতে উপাৰ্জন, পাছত দান-ধৰম—এয়ে হওক মোৰ অংগীকাৰ।"

দান-ধৰ্মৰ নামত পূৰ্ব-পুৰুষৰ শ্ৰমাৰ্জিত ধন-নাশ কৰিলে যে দাতা-কৰ্তা-বিধাতা হ'ব নোৱাৰি—সেই কথা মনে-চিতে উপলব্ধি কৰি মাধৱে নিজক শুধৰাইছিল আৰু আত্মশ্ৰমৰ এভাগ আনলৈ দান কৰি পৰম তৃপ্তিৰে আৰু লোকৰ আশীৰ্বাদৰে জীৱন অতিবাহিত কৰিছিল।



চান্দমামাৰ চমক

ঘঁৰিয়াল অধ্যাপক!

প্ৰকৃতিৰ পৰিমাপ কৰোঁতে আমি সাধাৰণতঃ প্ৰকৃতিকো অনুসন্ধিৎসু দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰোঁ, পৰ্বত মেঘ সমুদ্ৰ ইত্যাদিলৈ অভিনিবেশ সহকাৰে লক্ষ্য কৰোঁ, লক্ষ্য কৰোঁ পশু—পক্ষীলৈ। এনেহেন পৰ্য্যবেক্ষণে আমাক প্ৰকৃতিৰ বিষয়ে প্ৰকৃতিয়েই সন্দেহমুক্ত কৰে আৰু ক'বলৈ গ'লে প্ৰকৃতিয়ে আমাৰ অধ্যাপকৰ ভূমিকা পালন কৰে।

থাইল্যাণ্ডৰ পামিট্টি নামৰ এখন গাঁৱত এখন পঢ়াশালিৰ ওচৰত ঘঁৰিয়াল-পালনৰ প্ৰতিষ্ঠান আছে। এই পঢ়াশালিৰ ছাত্ৰ-ছাত্ৰীইঁতৰ অভিভাৱকসকলৰ বক্তব্য হ'ল যে বিদ্যালয়ৰ কাষৰ-পৰা এইখন ঘঁৰিয়াল-প্ৰকল্প স্থানান্তৰিত কৰিব লাগে, কিয়নো কেতিয়াবা ছাত্ৰ-ছাত্ৰীইঁত বিপদত পৰিব পাৰে। কিন্তু বিদ্যালয়ৰ অধ্যক্ষই তেওঁ-লোকক স্পষ্টকৈয়েই কৈ দিলে, "এইবিলাক ঘঁৰিয়ালৰপৰা ছাত্ৰ-ছাত্ৰীইঁতৰ অনিষ্ট হোৱাৰ কোনো সম্ভাৱনায়েই নাই। এই ঘঁৰিয়ালবোৰ হ'ল বিদ্যাৰ্থীইঁতৰ বাবে প্ৰাকৃতিক অধ্যাপক।

ঘৰচীয়া-প্ৰেম!

কুকুৰ মেকুৰী ভাটৌ আদি আমাৰ স্বাভাৱিক ঘৰচীয়া প্ৰাণী। নেদাৰল্যাণ্ডৰ ৰাজধানী দ্য হেগ নগৰৰ এগৰাকী মহিলাই কুত্তা ভাটৌ-মইনাৰ উপৰিও বিছা, বিধোবিধ বিষাক্ত সাপ, কেৰ্কেটুৱা কোকলোঙা গুঁই আদিকো মানৱ-ধৰম আৰু মনৰ মৰমেৰে ঘৰচীয়া কৰি লৈছে। কিন্তু তেওঁৰ এই মৰমসনা কামৰ ফলত তেওঁৰ গিৰিয়েকে তেওঁৰ ছোৱালী দুজনীক লৈ ঘৰ এৰি আন ঠাইলৈ গুচি গৈছে। গিৰিয়েকে কৈছে যে—ঘৰৰপৰা এইবোৰক খেদিলেহে তেওঁলোক আকৌ ঘৰচীয়া হ'ব!

বুকুৰ আপোন!

কেৰলৰ দক্ষিণপ্ৰান্তত মেলমুড নামৰ ঠাইত এটি প্ৰশিক্ষিত হাতী আছে। দিনত হাতীটোৱে গুৰিগছ কঢ়িউৱা-কাম কৰে, ৰাতিৰ পৰতে মাউতে তাক এজোপা ডাঙৰ গছৰ লগত বান্ধি থৈ যায়। য'ত বান্ধি থৈ যায়, কাষতেই নৈ এটি বৈ যায়। এদিন মাজনিশা বানপানীয়ে নৈৰ পাৰ-কূল ওপোচাই পেলালে আৰু হাতীটোক

পানীয়ে তাৰ ডিঙি-লৈকো বুৰাই পেলালে, মাত্ৰ তাৰ শুঁৰডালহে সিকথমপি দাঙি জীয়াই থাকিব পৰা হ'ল। হাতীটোৰ এনে অৱস্থা দেখি আন এজন মাউতে শিকলি খুলি তাক পানীৰপৰা লৈ আহিবলৈ বহু চেষ্টা কৰিও ব্যৰ্থ হ'ল, হাতীটো তাৰপৰা নাহিল। এই খবৰ পাই যেতিয়া তাৰ মাউত দৌৰি আহিল, তেতিয়াহে বানপানীৰপৰা বুৰি যোৱা সেই হাতীটো শুঁৰ জোকাৰি সাঁতুৰি সাঁতুৰি তাৰ বুকুৰ আপোন মাউতৰ পিছে পিছে পানী এৰি গৈ থাকিল।

নাৰীশক্তি

অনেক অনেক কাল আগৰ কথা। তেতিয়াৰ কালত ধৰ্মপুৰ ৰাজ্যৰ ৰজা আছিল দুৰ্জয়দেৱ। দুৰ্জয় ৰজাই বছৰেকত এবাৰকৈ তেওঁৰ তলতীয়া পালিৰজাইঁতক আৰু অন্যান্য মুখিয়াল মানুহবিলাকৰ মাজতো মূধাফুটা কিছুমানক মতাই অনাই একপ্ৰকাৰে স্তাৱকোৎসৱ পাতিছিল। যিহঁতৰ মুখ্য কাম আছিল ৰজা দুৰ্জয়ৰ স্তাৱকতাৰূপী গুণগান কৰা আৰু নিজৰ নিজৰ ফুটনিৰ ঢোল কোবোৱা।

এই বছৰতো সেই স্তাৱকোৎসৱ পতা হ'ল। প্ৰতিজনেই ৰঙৰ কিলত গুৰুলা-গুৰুল, প্ৰতিজনেই নিজৰ নিজৰ ফুটনিত ৰেঙেনা ভাজিছে। কোনোবাই তেওঁৰ ৰহস্য-দুৱাৰৰ কথা কৈছে, কোনোৱে বখানিছে তেওঁৰ ঘোঁৰাটোৰ মহত্বৰ কথা, আকৌ কোনোবাই ৰজাইছে তেওঁৰ ৰাজ্যত ওপোজা কঠালতকৈয়ো ডাঙৰ অমিতাৰ কথা, আমৰ দৰে সৰু সৰু কঠালৰ কথা ইত্যাদিৰ ঢোল।

কিন্তু বিজয় নামৰ যুৱা এজনক এচুকত চুপচাপ বহি থকা দেখি মহাৰাজ দুৰ্জয়ে সুধিলে, "বিজয়, তুমি একো নক'বানে? কিয় মন মাৰি বহি আছা?"

"মহাৰাজ, মোৰ ক'বলগীয়া—ক'বলৈ লাজেই লাগিছে, তথাপি কওঁ—মোৰ ক'বলগীয়া হ'ল মোৰ পত্নী মালিনী। কিন্তু ইয়াত ব্যক্তিগত কথাৰ বকলা মেলাটো বৰ শ্ৰুতিকটু-দৃষ্টিকটু হ'ব যেন পাই—চুপচাপ বহি আছোঁ, মহাৰাজ।" বিজয় ক'লে।

মহাৰাজ কিন্তু বিজয়ৰ কথাত যথেষ্ট কৌতূহলী হৈ উঠিল। তেওঁ বিজয়ক

ৰামনাৰায়ণ চহৰীয়া

ক'লে, "কোৰাচোন—কি ? কিহৰ কাৰণে তোমাৰ পত্নী ইমান উল্লেখযোগ্য ? সংগীত নৃত্য কাব্য সাহিত্যনে আন কিবা—শুনোৰেইচোন।"

বিজয়ে ক'লে, "আপুনি যিবোৰৰ কথা ক'লে, সেইবোৰত মালিনীৰ বিশিষ্টতা আছেই। কিন্তু তেওঁৰ প্ৰকৃত বিশিষ্টতা হ'ল অসাধাৰণ সাহস। আৰু তৰোৱালৰ, কাঁড়ৰ বা অন্যান্য যিকোনো প্ৰকাৰ যুদ্ধতো মালিনী ইমানেই নিপুণ যে এইক্ষেত্ৰত মালিনীক পৰাজিত কৰিব পৰা বোধ হয় কোনো নোলাব।"



মহাৰাজ দুৰ্জয়ে তীব্ৰ দৃষ্টিৰে বিজয়লৈ চাই ক'লে, "মনত ৰাখিবা—ইয়াত বৰ বৰ যোদ্ধা বহি আছে আৰু তেওঁলোকেও শুনি আছে।"

"মহাৰাজ, এই পালিৰজাসকলৰ কথা বাদেই দিয়ক, স্বয়ং আপুনিও কিজানি তাইৰ পৰাক্ৰমৰ আগত কুটাৰ দৰে উটি যাব। এই কথাত কোনো অতিশয়োক্তি নাই।" বিজয়ে দৃঢ়কণ্ঠেৰে ক'লে।

মহাৰাজ, দুৰ্জয়ৰ ধাৰণা হ'ল যে—তেওঁক তেওঁৰ তলতীয়া ৰজাহঁতৰ আগত অপমান কৰিবলৈহে বিজয়ে এনেবোৰ আফুৰা কথা বলকিছে। তেওঁ প্ৰহৰীহঁতক ক'লে, "এই বদমাছটোক ধৰা, ইয়াক এতিয়াই কাৰাগাৰত নিক্ষেপ কৰাঁ।"

সঁচা কথাৰ এই পৰিণাম! বিজয়ে ভাবিলে। কিন্তু বিজয়ে আৰু একো কোৱাৰ আগতেই ৰজাৰ প্ৰহৰীহঁতে বিজয়ক কাৰাগাৰত ভৰাই থ'লে।

ইপিনে—ৰাজকীয় উৎসৱৰ অন্ততো যেতিয়া বিজয় ঘৰলৈ নুঘুৰিল, তেতিয়া মালিনীয়ে ভৃত্য এজনক ৰাজসভালৈ পঠালে বিজয়ৰ সংবাদৰ কাৰণে।

ভৃত্যই যেতিয়া বিজয়ৰ বিপত্তিৰ কথা মালিনীক ক'লেহি, মালিনীয়ে তৎক্ষণাৎ এশজন অনুচৰৰে সৈতে বিভিন্ন যুদ্ধাস্ত্ৰ লৈ ধৰ্মপুৰলৈ বুলি ঘোঁৰাত উঠি ৰাওণা দিলে।

নগৰৰ বাহিৰত তম্বু তৰা হ'ল। এই তম্বুবোৰ এনেকৈ তৰা হ'ল যে দূৰৰপৰা চালে ইয়াত অসংখ্য তম্বু তৰা যেন লাগে। আৰু—অসংখ্য তম্বুৰ অৰ্থ—অসংখ্য সৈন্য।

তাৰ পাছত মালিনী অকলেই মহাৰাজ দুৰ্জনৰ কাষ চাপিল। তেতিয়া মালিনীৰ পুৰুষ বেশভূষা। পুৰুষবেশী মালিনীৰ বীৰোচিত হাৰ-ভাৱ দেখি মহাৰাজ দুৰ্জনৰ বুকুত ঢেঁকায়ে-বনাদি বানিবলৈ ধৰিলে।

পুৰুষবেশী মালিনীয়ে মহাৰাজ দুৰ্জনক ক'লে, "মহাৰাজ, মই কলিংগ-সম্ৰাটৰ দূত। সম্ৰাট আপোনাৰপৰা পঞ্চাছ সহস্ৰ স্বৰ্ণ মুদ্ৰা কৰ হিচাপে লৈ যাবলৈ মোক প্ৰেৰণ কৰিছে। আপুনি যদি দিবলৈ অস্বীকৃত হয়—তেনেহ'লে যুদ্ধ অনিবাৰ্য্য। আমাৰ চল্লিছ-সহস্ৰ সেনাই আপোনাৰ নগৰখনক আগুৰি ধৰি আছে।"

মহাৰাজ দুৰ্জয়ৰ হাত-ভৰি চেঁচা পৰোঁ পৰোঁ হ'ল। কলিংগ-সম্ৰাটৰ ক্ৰোধৰ চিকাৰ হোৱাটো—তেওঁৰ পক্ষে অতি ভয়ানক কথা হ'ব। ইপিনে পঞ্চাছ স্বৰ্ণমুদ্ৰা তেওঁ কেনেকৈ দিব? ইমান ধন ৰাজকোষত নাই। আৰু—ইমান কলিংগ-সৈন্যৰ বিৰুদ্ধে যুদ্ধ কৰাৰ অৰ্থ হ'ল—আত্মহত্যা।

মহাৰাজ দুৰ্জয়ে কলিংগ-দূতক ক'লে, "মোক তিনিদিনৰ সময়ৰ আৱশ্যক এই কথাৰ উত্তৰ দিবলৈ।"

"আপুনি যদি মোৰ চৰ্ত এটা মানি লয়—তিনিদিনৰ সময় দিয়া যাব।—আপোনাৰ পুত্ৰীক মোৰ সৈতে বিবাহ দিব লাগিব।" মালিনীয়ে ক'লে।

চৰ্তৰ কথা শুনি দুৰ্জন স্তম্ভিত হ'ল। তথাপি তেওঁ ক'লে, "এই সিদ্ধান্তৰ কাৰণেও এদিন সময় লাগিব, আৰু ৰাণীক, কন্যাকো সুধিব লাগিব।"

"ঠিক আছে, সোধক। আৰু—কালিলৈ যাতে এই বিবাহ সুসম্পন্ন হয়—তাৰ বাবে আয়োজন কৰক। নতুবা—

দুদিনৰ অন্ততঃ পঞ্চাছসহস্ৰ স্বৰ্ণমুদ্ৰা দিয়ক। কিন্তু যদি এটা চৰ্তও পূৰণ নকৰে—যুদ্ধ অনিবাৰ্য্য। আপোনাৰ সৈন্যবাহিনীৰ খা-খবৰ আমি ৰাখোঁ, আমাৰ সৈন্যবাহিনীৰ আগত আপোনাৰ বাহিনী ধুমুহাৰ খেৰ-কুটাৰ দৰে উৰি যাব, ধ্বংস হ'ব, আপোনাৰ ৰাজ্যও হ'ব অধিকৃত, আপোনাকো কঠোৰ দণ্ড দিয়া হ'ব।" মালিনীয়ে ক'লে।

মহাৰাজ দুৰ্জয়ে যেতিয়া সকলোখিনি কথা মহাৰাণী আৰু ৰাজকুঁৱৰীকো ক'লে, তেতিয়া ৰাজকুঁৱৰীয়ে কৈ উঠিল, "ছিঃ, ইয়াক মই কৰিম বিয়া? অসম্ভৱ। দেখাত সি ছোৱালী যেন লাগিছে। মোৰ ধাৰণা—ছোৱালীয়েই। আপুনি ইমান চিন্তিত হ'ব নালাগে।"

কন্যাৰ কথা শুনি মহাৰাজ দুৰ্জয়ে কিঞ্চিত সাহস সঞ্চয় কৰিলে। পাছদিনা তেওঁ কলিংগ-দূতক আহাৰৰ নিমন্ত্ৰণ কৰিলে আৰু এই সময়ত কলিংগ-দূতৰ লগত দবাও খেলিলে। দবা খেলত মহাৰাজ দুৰ্জয় বেয়াকৈ হাৰিল। তাৰ পাছত—ধোঁৱাত উঠি দুয়ো গ'ল ৰাজকীয় উদ্যানলৈ।

কলিংগ-দূতে হাঁহি হাঁহি ক'লে, "মহাৰাজ, আমাৰ মাজত অস্ত্ৰ-বিদ্যাৰ পৰীক্ষা এটা হৈ যাওক।"

মহাৰাজ দুৰ্জয় কলিংগ-দূতৰ প্ৰস্তাৱত সন্মত হ'ল। পৰীক্ষাৰ স্থানও স্থিৰ কৰা হ'ল। পৰীক্ষাস্থলত এপাট তৰোৱাল



ওপৰমুৰাকৈ পুতি থোৱা হ'ল। এই তৰোৱাল এটা বৃত্তৰ মাজেদি কঁড়িয়াই হুটুকুৰা কৰিব লাগিব, এয়ে পৰীক্ষা। তিনি বাৰ কাঁড় এৰিব পাৰিব।

মহাৰাজ দুৰ্জয়ে একে একে তিনিবাৰ কঁড়িয়ালে, কিন্তু এবাৰো বৃত্তৰ মাজেদি গৈ তৰোৱালৰ গাত নালাগিল। তাৰ পাছত মালিনীয়ে কাঁড়ডাল কাণলৈকে টানি লৈ তৰোৱাললৈ টোঁৱাই এৰিলে, আৰু বিৰাট শব্দেৰে তৰোৱালপাট হুটুকুৰা হৈ উফৰি পৰিল।

কোনোবাই যে কাঁড়েৰে এই কৰ্ম কৰিব পাৰিব—দুৰ্জয় মহাৰাজে কল্পনাও কৰিব পৰা নাছিল। কলিংগ-দূতৰ বীৰতা দেখি তেওঁৰ নিজৰ দূতৰ-অথন্তৰৰ বিষয়ে আৰু কোনো সন্দেহ নাথাকিল মহাৰাজ দুৰ্জয়ৰ মনত।

মহাৰাজ দুৰ্জয়ে কলিংগ-দূতক ক'লে, "মই মোৰ পৰাজয় মানি লৈছোঁ।"

"মোৰ লগত যুঁজিবপৰা কোনো এজনো আপোনাৰ ৰাজ্যত নাইনে, মহাৰাজ?" কলিংগ-দূতে এই কথা সোধাত মহাৰাজ দুৰ্জয়ৰ মনত পৰিল কাৰাগাৰত থকা বিজয়ৰ কথা। আৰু—লগে লগে বিজয়ক কাৰাগাৰৰপৰা লৈ আহিবলৈ আদেশ দিলে প্ৰহৰীইঁতক।

বিজয়ক দেখা পায়েই মালিনীয়ে পুৰুষ-বেশ সোলকাই পেলালে, কৱচ-শিৰস্ত্ৰাণ আদিও পৰিত্যাগ কৰিলে।

বিস্মিত-স্তম্ভিত-বিভ্ৰান্ত দুৰ্জয়ক বিজয়ে ক'লে, "মহাৰাজ, এৱেঁই মোৰ পত্নী মালিনী। এতিয়া নিশ্চয় বুজি পাইছে যে —দুনীয়াৰ সকলোটিয়েই মিছলীয়া নহয়, ফুটনিত বেঙেনা সকলোটিয়েই নাভাজে।"

মহাৰাজ দুৰ্জয়ে সিহঁতহালক কিছু-দিনলৈ ৰাজ-অতিথিৰূপে ৰাখি সমাদৰেৰে আপ্যায়ন কৰিছিল আৰু নাৰীশক্তিৰ প্ৰত্যক্ষ পৰিচয় পাই বিমোহিত হৈছিল।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য



অপৰাধীৰ যম কুকুৰ !

অপৰাধীক ধৰিবলৈ পুলিছ-কুকুৰৰ কথা আমি জানো। ব্লাডহাউণ্ডজাতীয় কুকুৰ অপৰাধী ধৰাৰ ক্ষেত্ৰত অতি নিপুণ। এইবিধ কুকুৰৰ ঘ্ৰাণশক্তি অতি প্ৰখৰ। অপৰাধস্থলত অপৰাধীৰ গোন্ধ শুঙি সেই গোন্ধৰ পম খেদি অপৰাধীক ধৰিবপৰা শক্তি ইহঁতৰ আছে। ব্লাডহাউণ্ডৰ কেইবাবিধো প্ৰজাতি আছে: স্ৰাক্ম হাউণ্ড, কুন হাউণ্ড, বেছেন্‌জি, বিগিল, বেছেট আদি। বিশেষকৈ ডাছ হাউণ্ড প্ৰজাতিৰ কুকুৰক অতি সহজেই প্ৰশিক্ষিত কৰি তুলিব পাৰি।



তিমিংগিলৰ তৰং-বৰং !

'গ্ৰিন পিছ' নামৰ জাহাজ এখনত কৰ্মীসকলে তিমিংগিল-চিকাৰী জাহাজ এখনত বন্দী হৈ থকা এটি তিমিংগিলক ৰক্ষা কৰিলে। এই সম্বাদ দৈনিক কাকতত ওলাইছিল। কিন্তু — তিমিংগিল চিকাৰ কৰাৰ হেতু কি? কিয় এই তিমিংগিলক চিকাৰীসকলে ধৰি আনে? তিমিংগিলৰ ছাল আৰু তেল—মানে চৰ্বি অতি প্ৰয়োজনীয় বস্তু। চৰ্বিৰে ৰং আৰু ভাৰ্নিছৰ বাবে এক অতি মূল্যবান সামগ্ৰী পোৱা যায়। জাপানত তিমিংগিলৰ মঙহো খোৱা হয় আৰু পোৱালি তিমিংগিলৰ মঙহ তাত অতি জনপ্ৰিয় !

পানী-পাৰে !

খৃষ্ট যিশুৱে সাগৰৰ পানীৰ ওপৰেদি খোজ কাঢ়িছিল, আমি পঢ়িছোঁ। কিন্তু—পানীৰ ওপৰেদি খোজ কাঢ়ি ফুৰা চৰাই কেতিয়াবা দেখিছেনে? মানুহক দেখামাত্ৰেই পলাই ফাট মৰা' জাকানা' চৰাই কেৱল পানীৰ ওপৰেদিয়েই নহয়, পদুমৰ পাতৰ ওপৰেদিও খৰকৈ খোজ কাঢ়ি যায়, কিন্তু পদুম পাতে তাৰ খোজৰ খবৰো নাপায় ! জাকানা-চৰাইৰ দীঘল দীঘল ঠেঙৰ লাহী লাহী আঙুলিৰ নখবোৰে তাৰ খোজৰ লঘুতাত সহায় কৰে। পদুম পাতৰ ওপৰত জাকানাই বাহ সাজে, কিন্তু পদুমে বাহ-বাহৰৰ কথা দেখোন গমেই নাপায় !


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!



SUPER
RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব।

S.G. Seshagiri

Devidas Kasbekar

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৪ চনৰ অকট'বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ধেমালিতে বিজ্ঞান নিৰাময়-কৰ্ম

দ্বিতীয় ফটো : দূৰক পোৱায় কাষ দুৰভাষ-মৰ্ম

ৰাজীৱ চৌধুৰী, চামতা, নলবাৰী, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ

অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 117.00 ● উৰাজাহাজ-যোগে 264.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 123.00 ● উৰাজাহাজ-যোগে 264.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

everest/94/PP/72-as-R